সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ,৫০ সংখ্যা, ২৭ আঘোণ, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 50 Date of Publication- 14 December 2025 Rs. 10.00/-

## এছআইটিৰ অভিযোগনামাত ভয়ংকৰ তথ্য !

## ৭৫মিনিট ধৰি সমুদ্ৰ তীৰত চিকিৎসাৰ অবিহনে পৰি আছিল জুবিন গাৰ্গ





ৰঙিলী বাৰ্ত্তাসেৱা- সকলো জল্পনা-কল্পনাৰ অন্ত পেলায় শুকুৰবাৰে এছআইটিয়ে দাখিল কৰে বহু প্ৰতীক্ষিত অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যৰ তদন্তৰ চাৰ্জশ্বীট। এছআইটিয়ে দাখিল কৰা এই চাৰ্জশ্বীটত পোহৰলৈ আহিছে বহু বিস্ফোৰক তথ্য। বহুপ্ৰতীক্ষিত এই অভিযোগনামাত জুবিন হত্যাকাণ্ডৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত, শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তৰ বিৰুদ্ধে আৰোপ কৰা হৈছে বিএনএছৰ ১০৩ ধাৰা। জুবিন গাৰ্গক হত্যাৰ অভিযোগ আৰোপ কৰা হৈছে এই চাৰিজনৰ ওপৰতে। কামৰূপ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত এছআইটিয়ে দাখিল কৰা অভিযোগনামাত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত, শেখৰজ্যোতি গোস্বামীৰ বিৰুদ্ধে সন্নিবিষ্ট কৰিছে একাধিক বিস্ফোৰক তথ্য। অভিযোগনামাত উল্লেখ কৰা অনুসৰি দীৰ্ঘদিনৰ পৰাই জুবিন গাৰ্গৰ হত্যাৰ ব্লু-প্ৰিন্ট ৰচনা কৰিছিল এই তিনিজনলোকে। জুবিন গাৰ্গৰ সৈতে হোৱা আৰ্থিক লেনদেন আৰু পৰৱৰ্তী সময়ত জুবিন গাৰ্গক ধন আদায় দিবলৈ বাকী থকাৰ কথা উল্লেখ কৰিছে অভিযোগনামাত। জুবিন গাৰ্গৰ হৈ প্ৰতিটো বিহু অনুষ্ঠানৰ চুক্তি কৰিছিল সিদ্ধাৰ্থে। ১২লাখ টকা পৰ্যন্ত চুক্তি হৈছিল একোটা অনুষ্ঠানৰ বাবে। একোটা অনুষ্ঠানৰ বাবে মাত্ৰ ৭ লাখ টকাহে দিয়া হৈছিল জুবিন গাৰ্গক।বাকী ধনৰাশি হৰলুকী কৰিছিল মেনেজাৰ সিদ্ধাৰ্থে। অকল ইমানেই নহয়, জুবিন গাৰ্গৰ ৭ লাখ টকাৰ পৰাও ১৫% কমিচন লৈছিল সিদ্ধাৰ্থে। পিছত জুবিন গাৰ্গে সিদ্ধাৰ্থ শৰ্মাৰ পৰা এই ধনৰ হিচাপ খোজাত মনোমালিন্য হৈছিল (দহ পৃষ্ঠাত চাওক)

## ৰাষ্ট্ৰদ্ৰোহৰ অপৰাধত ভাৰতীয় বায়ুসেনাৰ প্ৰাক্তন বিষয়া গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পাকিস্তানৰ সৈতে জড়িত থকাৰ অভিযোগত তেজপুৰত গ্ৰেপ্তাৰ প্ৰাক্তন ভাৰতীয় বায়ুসেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়া । দেশৰ সাৰ্বভৌমত্ব-নিৰাপত্তাৰ সৈতে আপোচ কৰি চিৰবৈৰী ৰাষ্ট্ৰখনৰ চোৰাংচোৱা সংস্থা আইএছআইক তথ্য যোগান ধৰাৰ গোচৰত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে তেজপুৰৰ ভাৰতীয় বায়ুসেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়া কুলেন্দ্ৰ শৰ্মা। তেজপুৰৰ পটিয়া চুবুৰীৰ বাসিন্দা কুলেন্দ্ৰ শৰ্মাই দীৰ্ঘদিন ধৰি দেশৰ নিৰাপত্তা সম্পৰ্কীয় তথ্য পাকিস্তানৰ চোৰাংচোৱা সংস্থাক সৰবৰাহ কৰাৰ অভিযোগ আছে। অতি স্পৰ্শকাতৰ বিষয়টোৰ ওপৰত প্ৰাথমিক তদন্তৰ পাছতে আৰক্ষীয়ে কুলেন্দ্ৰ শৰ্মাক গ্ৰেপ্তাৰ কৰে। এই সন্দৰ্ভত ( দুই পৃষ্ঠাত চাওক)

## গুৱাহাটী প্ৰেছ ক্লাবত বিনামূলীয়া সাংবাদিক স্বাস্থ্য শিবিৰ সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত শনিবাৰে অনুষ্ঠিত হয় এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মহিলা চিকিৎসকৰ সংগঠন সঞ্জীৱনীৰ সহযোগত অনুষ্ঠিত স্বাস্থ্য পৰীক্ষা শিবিৰত ১৯গৰাকী অভিজ্ঞ চিকিৎসকে সেৱা আগবঢ়ায়। শিবিৰটোত সংবাদ প্ৰতিষ্ঠানসমূহৰ শতাধিক (দহ পৃষ্ঠাত চাওক)

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক শ্ৰী চন্দ্ৰশেখৰেন্দ্ৰ ৰাষ্ট্ৰীয় বিশিষ্টতা বঁটা প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- শ্ৰীকাঞ্চী কামাকোটি পীঠমৰ ৬৮ সংখ্যক শংকৰাচাৰ্য পূজ্য চন্দ্ৰশেখৰেন্দ্ৰ সৰস্বতী মহাস্বামীগালৰ পৱিত্ৰ স্মৃতিত মুম্বাইত প্ৰতিষ্ঠা কৰা অতি সন্মানীয় চন্দ্ৰশেখৰেন্দ্ৰ সৰস্বতী ৰাষ্ট্ৰীয় বিশিষ্টতা বঁটা-২০২৫ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই বঁটা গ্ৰহণ কৰি গভীৰভাৱে সন্মানিত হোৱা বুলি মন্তব্য কৰে আৰু এই স্বীকৃতি অসমৰ জনসাধাৰণ, তেওঁৰ পিতৃ-মাতৃ আৰু তেওঁক পথ প্ৰদৰ্শন কৰা সনাতন ধৰ্মৰ আদৰ্শৰ প্ৰতি উৎসৰ্গা কৰে। এই সন্মান প্ৰদান কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰীকাঞ্চী কামাকোটি ( দুই পৃষ্ঠাত চাওক)

## দেশৰ কেইবাখনো ৰাজ্যত অভাৱনীয়ভাৱে হ্ৰাস পাইছে পাৰাস্তম্ভ



ৰঙিলী বাৰ্ত্তাসেৱা- ধৰালৈ নামি আহিছে শীত। দেশৰ কেইবাখনো ৰাজ্যত অভাৱনীয়ভাৱে হ্ৰাস পাইছে পাৰাস্তম্ভ। যাৰ প্ৰতি লক্ষ্য ৰাখি বতৰ বিজ্ঞান কেন্দ্ৰই আগতীয়াকৈ সতৰ্কতা জাৰি কৰিছে। খবৰ অনুসৰি উত্তৰ-পশ্চিম আৰু মধ্য ভাৰতৰ ৰাজ্যসমূহত হাড় কঁপোৱা জাৰ অনুভূত হৈছে। বতৰ (দহ পৃষ্ঠাত চাওক)




# ৰাজীৱ ভৱনত জ্যেষ্ঠ নেতা ৰিপুন বৰাৰ গুৰুত্বপূৰ্ণ সংবাদমেল

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীত অটল আছে অসম প্ৰদেশ কংগ্ৰেছ কমিটি। প্ৰাণৰ শিল্পী গৰাকীৰ হত্যাকাণ্ডৰ গোচৰত এছআইটিয়ে যি চাৰ্জশ্বিট দাখিল কৰিছে সেই সন্দৰ্ভত এক সংবাদমেলযোগে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুন বৰাই। ৰাজীৱ ভৱনত আয়োজিত সংবাদমেলখনত বৰাই কয় যে অসম চৰকাৰে চাৰ্জশ্বিটখন দিব লাগে কাৰণেই দিয়াৰ ব্যৱস্থা কৰিছে। যেতিয়ালৈকে চাৰ্জশ্বিটখন হাতত আহি নপৰে তেতিয়ালৈকে সম্পূৰ্ণকৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা উচিত নহয় বুলি মন্তব্য কৰি তাৎক্ষণিক প্ৰতিক্ৰিয়া হিচাপে বৰাই কয় যে এই চাৰ্জশ্বিটৰ পৰা কেৱল দুটা কথা সাব্যস্ত হৈছে। সকলো ৰাইজে জুবিন গাৰ্গক ন্যায় দিবলৈ দাবী উত্থাপন কৰি আহিছে। সকলো ৰাইজৰ মুখ বন্ধ কৰিবলৈ লোকচক্ষুত যাতে চৰকাৰে জবাবদিহি নহয় প্ৰথমে তাৰ ব্যৱস্থা কৰিছে। চৰকাৰে দায় সাৰিবৰ কাৰণে এখন চাৰ্জশ্বিট নিয়মমাফিক দিব লাগে কাৰণে দিছে। চাৰ্জশ্বিট দাখিলৰ ক্ষেত্ৰত চৰকাৰ আৰু আৰক্ষী বিভাগৰ এনে এটা স্থিতি দেখা গ'ল যে যাক গাঁৱলীয়া ভাষাত 'সাপো মৰক লাঠিও নাভাঙক' বুলি কয়।-বৰাই কয়। দ্বিতীয়তে, হিমন্ত বিশ্ব শৰ্মা চৰকাৰ আৰু বিজেপিয়ে চাৰ্জশ্বিটৰ জৰিয়তে বলটো আদালতলৈ ঠেলি দিলে বুলিও কয় কংগ্ৰেছ নেতাগৰাকীয়ে। বৰাই কয়, এতিয়া তেওঁলোকে কথাই প্ৰতি এটাই কথা ক'ব যে এতিয়া ন্যায়ৰ বাবে আমাৰ ওচৰলৈ নাহিবা। জুবিন অনুৰাগীসকলক ক'ব যে আন্দোলন নকৰিবা। আমি আমাৰ কাম কৰি দিলো। এতিয়া ন্যায় আদালতে দিব। এইধৰণে যাতে চৰকাৰ আৰু মুখ্যমন্ত্ৰীয়ে ক'ব পাৰে সেই উদ্দেশ্যৰেই চাৰ্জশ্বিটখন দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে ক'লেই যে আমি আমাৰ কাম কৰিলো। এছআইটিয়ে এছআইটিৰ কাম কৰিলে। ন্যায় দিয়াৰ কামটো আদালতৰ। গাৰ

( তিনিপৃষ্ঠাত চাওক)

# চাৰিগৰাকী খেলুৱৈক নিলম্বন অসম ক্ৰিকেট সন্থাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- অসম ক্ৰিকেট সন্থাই শেহতীয়াকৈ চাৰিগৰাকী খেলুৱৈক নিলম্বন কৰিছে। ক্ৰিকেট খেলৰ সৈতে সম্পৰ্কিত দুৰ্নীতিৰ ঘটনাত জড়িত থকাৰ অভিযোগ উত্থাপন হোৱাৰ পিছত অসম ক্ৰিকেট সন্থাই অমিত সিন্হা, ঈশান আহমেদ, অমন ত্ৰিপাঠী আৰু অভিষেক ঠাকুৰীক তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিলম্বন কৰিছে। উক্ত চাৰিজন খেলুৱৈয়ে ২৬ নৱেম্বৰৰ পৰা ৮ ডিচেম্বৰলৈ লক্ষ্ণৌত অনুষ্ঠিত ছৈয়দ মুস্তাক আলী ট্ৰফীত অংশগ্ৰহণ কৰা বৰ্তমানৰ অসম দলৰ একাংশ খেলুৱৈক প্ৰভাৱিত কৰা আৰু উচটনি দিয়াৰ চেষ্টা কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই অভিযোগ উত্থাপন হোৱাৰ পিছতে বিচিচিআইৰ দুৰ্নীতিবিৰোধী আৰু নিৰাপত্তা ইউনিটে তদন্ত চলায়। অসম ক্ৰিকেট সন্থায়ো অপৰাধমূলক গোচৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰে আৰু সেই অনুসৰি উল্লিখিত চাৰিজন খেলুৱৈৰ বিৰুদ্ধে গুৰুতৰ অনিয়ম আৰু ক্ৰীড়াৰ সুনাম তথা অখণ্ডতাত প্ৰভাৱ পেলাব পৰা অসৎ কাৰ্যত জড়িত হোৱাৰ কথা প্ৰমাণিত হয়। পৰিস্থিতি আৰু অধিক অৱনতি ঘটাৰ যিকোনো পৰিসৰ হ্ৰাস কৰিবলৈ খেলুৱৈসকলক নিলম্বন কৰা হৈছে। অসম ক্ৰিকেট সন্থাই উক্ত চাৰিজন খেলুৱৈৰ বিৰুদ্ধে গুৱাহাটীৰ অপৰাধ শাখাতো গোচৰ দাখিল কৰিছে।

# ৰাষ্ট্ৰদ্ৰোহৰ অপৰাধত ভাৰতীয়

শোণিতপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই প্ৰকাশ কৰা অনুসৰি কুলেন্দ্ৰ শৰ্মাৰ বিৰুদ্ধে আইএছআইক তথ্য যোগান ধৰাৰ অপৰাধত ৭৮৫/২০২৫ নম্বৰৰ এটা গোচৰ ৰুজু কৰা হৈছে। গ্ৰেপ্তাৰ কৰাৰ পাছতে বিয়লি ধৃত কুলেন্দ্ৰ শৰ্মাক স্থানীয় আদালতত হাজিৰ কৰোৱা হয়। আদালতে ৫ দিনৰ বাবে কুলেন্দ্ৰ শৰ্মাক আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে তেজপুৰ বায়ুসেনা ঘাটিত জুনিয়ৰ ৱাৰেণ্ট অফিচাৰ পদৰ পৰা ২০০২ চনত কুলেন্দ্ৰ শৰ্মাই অৱসৰ গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ তেজপুৰ বিশ্ববিদ্যালয়ৰ ইলেক্ট্ৰনিক ছায়েঞ্চ বিভাগতো কাৰ্যনিৰ্বাহ কৰে। নলবাৰীৰ পৰা আহি কৰ্মসূত্ৰে তেজপুৰৰ গৌৰীমাৰীত থাকিবলৈ লোৱা কুলেন্দ্ৰ শৰ্মাই পৰৱৰ্তী সময়ত পটিয়া চুবুৰীৰ স্থায়ী বাসিন্দা হয়। চিৰৱৈৰী ৰাষ্ট্ৰ পাকিস্তানৰ সৈতে যোগাযোগ ৰখা তথা দেশৰ স্পৰ্শকাতৰ তথ্য যোগান ধৰা কুলেন্দ্ৰ শৰ্মাৰ লেপটপ আৰু ম'বাইল ফোন আৰক্ষীয়ে জব্দ কৰিছে। সমগ্ৰ বিষয়টো সন্দৰ্ভত জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুৰকায়স্থই কয় যে প্ৰথম অৱস্থাত দুগৰাকী পাকিস্তানী যুৱতীৰ সৈতে ফেচবুকৰ জৰিয়তে চিনাকি হৈছিল কুলেন্দ্ৰ শৰ্মাই। পৰৱৰ্তী সময়ত তেওঁ এই যুৱতী দুগৰাকীৰ সৈতে সঘনাই বাৰ্তালাপ কৰিবলৈ ধৰে। পাকিস্তানৰ এই যুৱতী দুগৰাকীৰ পৰিচয়ৰ সত্যতাৰ ওপৰতো সন্দেহ ব্যক্ত কৰে জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুৰকায়স্থই। তেওঁ কয় যে ধৃত কুলেন্দ্ৰ শৰ্মাই যোগান ধৰা বহু তথ্য ইতিমধ্যে নিজৰ ম'বাইল ফোনৰ পৰা ডিলিট কৰিছে। অৱশ্যে সেয়া পুনৰ উদ্ধাৰৰ বাবে চেষ্টা চলাই থকা হৈছে। লক্ষণীয়ভাৱে ধৃত কুলেন্দ্ৰ শৰ্মাই ইতিমধ্যে পাক চোৰাংচোৱা সংস্থা আইএছআইৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাৰ কথা স্বীকাৰ কৰা বুলি এক বিশেষ সূত্ৰই জানিবলৈ দিয়ে। সূত্ৰটোৱে জানিবলৈ দিয়া মতে, পাকিস্তানৰ সন্দেহজনক যুৱতী দুগৰাকীৰ সৈতে কুলেন্দ্ৰ শৰ্মাই কিমান দিনৰ পৰা সম্পৰ্ক ৰক্ষা তথা ভাৰতৰ সাৰ্বভৌমত্ব-অখণ্ডতা সম্পৰ্কীয় তথ্য যোগান ধৰি আহিছিল, সেই বিষয়ে সবিশেষ বৰ্তমান পৰ্যন্ত জানিব পৰা হোৱা নাই। অৱশ্যে অতিশয় স্পৰ্শকাতৰ বিষয়টোৰ আঁৰৰ সকলো ৰহস্য শীঘ্ৰে উদ্‌ঘাটন হ'ব।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক শ্ৰী

পীঠমৰ জগতগুৰু শংকৰাচাৰ্য পূজ্য শ্ৰী শংকৰ বিজয়েন্দ্ৰ সৰস্বতী স্বামীগাল আৰু দক্ষিণ ভাৰতীয় শিক্ষা সমাজক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। বঁটা গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম আৰু ভাৰতবৰ্ষৰ সভ্যতাৰ মাজত থকা গভীৰ আধ্যাত্মিক সংযোগৰ ওপৰত বিশেষভাৱে আলোকপাত কৰে। তেওঁ কয় যে আদি-আদি শংকৰাচাৰ্যই স্বয়ং প্ৰাচীন কামৰূপলৈ যাত্ৰা কৰি নৰগুপ্তৰ দৰে মহান পণ্ডিতৰ সৈতে বিতৰ্ক কৰি উত্তৰ-পূৰ্বাঞ্চলত অদ্বৈত পৰম্পৰা স্থাপন কৰিছিল, যাৰ সাক্ষ্যস্বৰূপে কামাখ্যা মন্দিৰত এটা মণ্ডপম আজিও আছে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত শ্ৰীশংকৰদেৱ নেত্ৰালয় আৰু পূৰ্ব তিৰুপতি মন্দিৰ প্ৰতিষ্ঠা কৰি এই সংযোগ গভীৰ কৰাৰ ক্ষেত্ৰত পূজ্য জয়েন্দ্ৰ সৰস্বতী স্বামীগালৰ কামৰ বিষয়েও কয়। তেওঁ শ্ৰীমন্ত শংকৰদেৱৰ নাম বহন কৰা শ্ৰীশংকৰদেৱ নেত্ৰালয়ক শংকৰাচাৰ্য আৰু শংকৰদেৱৰ অদ্বৈত আৰু ভক্তিৰ, কাঞ্চী আৰু অসমৰ এব সুন্দৰ সংগম বুলি বৰ্ণনা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ ভাষণত সনাতন ধৰ্মৰ চিৰন্তন আত্মাৰ বিষয়ে উল্লেখ কৰি ইয়াক কেৱল এক ধৰ্ম নহয়, বৰঞ্চ এক জীৱনশৈলী, এক নৈতিক দিক-নিৰ্ণায়ক আৰু সত্যৰ এক চিৰন্তসন্ধান বুলি বৰ্ণনা কৰে। তেওঁ গুৰুত্ব আৰোপ কৰে যে একক ভৱিষ্যদ্বাণীমূলক উদ্‌ঘাটনৰ ওপৰত আধাৰি বিশ্বাসৰ বিপৰীতে, সনাতন ধৰ্ম এই দৃঢ়তাৰ ওপৰত নিৰ্ভৰ কৰে যে সত্য আৱিষ্কাৰ কৰিব লাগিব, যি প্ৰতিজন ব্যক্তিৰ বাবে অনন্য আৰু পৱিত্ৰ পথক উৎসাহিত কৰে। কোনো বিবাদ নোহোৱাকৈ বহুত্বক ৰখাৰ বাবে সনাতন ধৰ্মৰ ক্ষমতাৰ কথা বৰ্ণনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই উদ্ধৃত কৰে, 'সত্য এক, কিন্তু জ্ঞানীসকলে ইয়াক বহু ধৰণে বৰ্ণনা কৰে'। সনাতনী পৰম্পৰাৰ ভিতৰত থকা বৈচিত্ৰিক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলক এই বৈচিত্ৰ্যৰ আটাইতকৈ স্পন্দনশীল প্ৰকাশসমূহৰ ভিতৰত অন্যতম হিচাপে উল্লেখ কৰে। তেওঁ কয় যে হিন্দু ধৰ্ম উত্তৰ-পূৰ্বাঞ্চললৈ এক সাংস্কৃতিক সংগী হিচাপে আহিছিল, যিয়ে এই ভূমিত নিজকে খাপ খুৱাইছিল, স্থানীয় পৰম্পৰাসমূহক গ্ৰহণ কৰিছিল আৰু প্ৰকৃতি আৰু পূৰ্বপুৰুষৰ সৈতে জড়িত প্ৰাচীন আধ্যাত্মিক প্ৰেৰণাসমূহক সংৰক্ষণ কৰিছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত হোৱা অসমীয়া নৱজাগৰণৰ বিষয়ে উল্লেখ কৰি কয় যে শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নাম ধৰ্ম এক গণতান্ত্ৰিক আধ্যাত্মিক আন্দোলন আছিল, যিয়ে সেই যুগত ভাৰতৰ ৰাজনৈতিক সীমাৰ ভিতৰত নাথাকিলেও অসমক ভাৰতৰ বৃহত্তৰ সভ্যতাগত আৰু সাংস্কৃতিক ঐক্যৰ সৈতে দৃঢ়ভাৱে সংযুক্ত কৰিছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই বড়ো, ৰাভা, তিৱা, ডিমাচা, কাৰ্বি, টাই আহোমসকলৰ ধৰ্মীয় আচাৰসমূহকে ধৰি বিভিন্ন থলুৱা ধৰ্মসমূহৰ কথাও শ্ৰদ্ধাসহকাৰে উল্লেখ কৰে, যাৰ ব্ৰহ্মাণ্ডতত্ত্ব সনাতন ধৰ্মৰ আদিম প্ৰেৰণাসমূহৰ সৈতে জড়িত আৰু যাৰ হিন্দু আচাৰ-ব্যৱহাৰৰ সৈতে সহাৱস্থানে অঞ্চলটোৰ স্বাভাৱিক বহুত্ববাদক প্ৰদৰ্শন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই স্বাধীনতাৰ পিছত ৰাজনৈতিক তুষ্টিকৰণ, বৌদ্ধিক উপহাস আৰু আদৰ্শগত শত্ৰুতাৰ বিষয়সমূহ উল্লেখ কৰি সনাতন ধৰ্মই ইয়াৰ জন্মভূমিত সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়েও আলোকপাত কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই 'Places of Worship Act. ১৯৯১', আৰু 'Waqf Act. ১৯৯৫'ৰ দ্বাৰা সৃষ্টি হোৱা আইনী বৈষম্য আৰু হিন্দু পৰিচয় হ্ৰাস কৰা ঐতিহাসিক বিকৃতকৰণৰ বিষয়ে আঙুলিয়াই দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমত জনগাঁথনিগত আক্ৰমণৰ সভ্যতাগত প্ৰত্যাহ্বানৰ কথাও উল্লেখ কৰে। তেওঁ বিতংভাৱে কয় যে কেনেকৈ ১৯৪১ চনৰ ভূমি উন্নয়ন আঁচনিৰ দৰে নীতিৰ ফলত পূববংগৰ মুছলমান অনুপ্ৰৱেশকাৰীসকলৰ বৃহৎ বসতিয়ে ৰাজ্যৰ জনগাঁথনিক মৌলিকভাৱে সলনি কৰিছিল, থলুৱা সম্প্ৰদায়সমূহৰ সাংস্কৃতিক নিৰন্তৰতাৰ প্ৰতি ভাবুকি আনিছিল আৰু চৰকাৰী, বনাঞ্চল আৰু পৱিত্ৰ সত্ৰৰ ভূমি বেদখলৰ সৃষ্টি কৰিছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই দৃঢ়তাৰে কয় যে তেওঁৰ চৰকাৰে ইয়াৰ মোকাবিলা কৰিবলৈ সাহসী পদক্ষেপ গ্ৰহণ কৰিছে, যাৰ ভিতৰত আছে প্ৰায় পোন্ধৰ হাজাৰ হেক্টৰ (১, ১০, ০০০ বিঘাৰো অধিক) বনাঞ্চল বেদখলকাৰীৰ পৰা মুক্ত কৰা আৰু শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান- বৰদোৱাক বেদখলমুক্ত কৰা। তেওঁ কয় যে জনসংখ্যাগত ভাৰসাম্য বজাই ৰখাৰ অৰ্থ হৈছে অসমক সহস্ৰাব্দ ধৰি বৰ্তাই ৰখা সাংস্কৃতিক ছন্দ আৰু সভ্যতাগত নিৰন্তৰতা সুৰক্ষিত কৰা। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত ৰাষ্ট্ৰৰ আধ্যাত্মিক ঐতিহ্যক লালন-পালন কৰা আৰু সক্ষমতাত আধুনিক, জ্ঞানত প্ৰাচীন আৰু দৃষ্টিভংগীত সাৰ্বজনীন ভাৰত গঢ়ি তোলাৰ বাবে নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দৃঢ়তাৰে উল্লেখ কৰে।

# ৮৪ দিনৰ অন্তত আদালতত দাখিল জুবিন গাৰ্গ হত্যাকাণ্ডৰ চাৰ্জশ্বীট



ৰঙিলী বাৰ্তাসেৱা- ৮৪ দিনৰ অপেক্ষাৰ অন্তত দাখিল কৰা হ'ল জুবিন গাৰ্গ হত্যাকাণ্ড গোচৰৰ বহুপ্ৰতীক্ষিত চাৰ্জশ্বীট। প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুৰ ৫ দিন পাছতে ৰাজ্য চৰকাৰে গঠন কৰি দিয়া অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোট (এছআইটি)য়ে সকলোৰে উৎকণ্ঠাৰ অৱসান ঘটাই শুকুৰবাৰে দিনৰ ১১.১০ বজাত কামৰূপ (মহানগৰ) জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত দাখিল কৰে বহু-প্ৰতীক্ষিত অভিযোগনামাখন। পূৰ্বনিৰ্ধাৰিত সময় অনুসৰি শুকুৰবাৰে এছআইটিৰ এটা বৃহৎ দলে মুঠ চাৰিটা ট্ৰাংকত আদালতলৈ কঢ়িয়াই নিয়ে ১২, ২৭০ পৃষ্ঠাৰ বৃহৎ কলেৱৰৰ অভিযোগনামাখন। ৮ খন গাড়ীৰ বৃহৎ কনভয়ত সম্পূৰ্ণ নিৰাপত্তাৰ মাজেৰে পাণবজাৰৰ কামৰূপ (মহানগৰ) জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতলৈ এছআইটিয়ে কঢ়িয়াই নিয়া অভিযোগনামাখনে বহু আশাৰ ৰেঙনি কঢ়িয়াইছে। অভিযোগনামাসহ সকলো তথ্য-প্ৰমাণ আদালতত দাখিল কৰাৰ পাছতে এছআইটিৰ মুৰব্বী



মুন্নাপ্ৰসাদ গুপ্তাই সংবাদ মেলযোগে কেতবোৰ গুৰুত্বপূৰ্ণ দিশ সদৰী কৰে। মন কৰিবলগীয়া যে মূল অভিযোগনামাখন ২, ৪৯৯ পৃষ্ঠাৰ হোৱাৰ লগতে তাত জুবিন হত্যাকাণ্ডৰ মূল অভিযুক্ত, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ মূল আয়োজক শ্যামকানু মহন্ত, মেনেজাৰ সিদ্ধাৰ্থ

(দহ পৃষ্ঠাত চাওক)

# প্ৰতিজন দোষীয়ে কঠোৰতম শাস্তি পোৱাটো বিচাৰিছোঁঃ গৰিমা গাৰ্গ



ৰঙিলী বাৰ্তাসেৱা- কামৰূপ (মহানগৰ) জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত এছআইটিয়ে শুকুৰবাৰে জুবিন গাৰ্গৰ মৃত্যু গোচৰৰ অভিযোগনামা দাখিলৰ পিছতে নিশালৈ সোণাপুৰৰ জুবিনক্ষেত্ৰত উপস্থিত হয় পত্নী গৰিমা গাৰ্গ আৰু ভগ্নী পামী বৰঠাকুৰ। জুবিনক্ষেত্ৰত উপস্থিত হৈ জুবিনৰ সমাধিত এগছি চাকি জ্বলাই আপোন মানুহজনক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আৱেগিক হৈ পৰে গৰিমা গাৰ্গ। গৰিমা গাৰ্গে এছআইটিয়ে অভিযোগনামা দাখিল কৰা সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু কয় যে লক্ষ লক্ষ জুবিন অনুৰাগীয়ে বিচৰাৰ দৰে জুবিনৰ পৰিয়ালেও জুবিনৰ মৃত্যুৰ উচিত তদন্ত বিচাৰি অধিক আগ্ৰহেৰে বাট চাই আছিল গোচৰৰ অভিযোগনামালৈ। এছআইটিয়ে কৰা তদন্ত আমি আশা কৰা মতে হৈছে। তদন্ত যেনেদৰে আশা কৰা হৈছিল তেনেদৰে হোৱা বাবে ভাল লাগিছে। বহু কষ্ট কৰি এছআইটিয়ে এই কাৰ্য সম্পন্ন কৰিছে। তাৰ বাবে তেওঁলোকক ধন্যবাদ জনাইছোঁ। এতিয়া ন্যায় প্ৰক্ৰিয়াৰ আশাত আছোঁ। ন্যায় প্ৰক্ৰিয়াটো নিশ্চয়

( নপৃষ্ঠাত চাওক)

# অধিবক্তা বিচাৰি অসম উকীল সন্থাৰ ওচৰ চাপিছে শ্যামকানুৰ পত্নী অনিতাই



ৰঙিলী বাৰ্তাসেৱা- স্বামী শ্যামকানু মহন্তৰ হৈ আইনী সাহায্য বিচাৰি অসম উকীল সন্থাৰ কাষ চাপিছে অনিতা ডেকা মহন্ত। এই কথা প্ৰকাশ কৰিছে সন্থাৰ সম্পাদক, অধিবক্তা অপূৰ্ব শৰ্মাই। সংবাদ মাধ্যমৰ আগত অধিবক্তা অপূৰ্ব শৰ্মাই সদৰী কৰে যে শ্যামকানু মহন্তৰ হৈ আইনী যুঁজ চলাবৰ কাৰণে তেওঁৰ পত্নী অনিতা মহন্তই ১০ ডিচেম্বৰত গুৱাহাটী উকীল সন্থাৰ ওচৰত এখন আবেদন কৰে। এই আবেদনখনৰ জৰিয়তে অনিতা ডেকা মহন্তই শ্যামকানু মহন্তৰ হৈ গোচৰ চলাবলৈ নিবিচৰা উকীল সন্থাৰ সদস্যসকলৰ লগতে সমগ্ৰ অধিবক্তা সমাজক তেওঁলোকৰ সিদ্ধান্ত উঠাই ল'বলৈ অনুৰোধ জনায়। মৌখিকভাৱেও অনিতা ডেকা মহন্তই উকীল সন্থাক এই অনুৰোধ জনায়। অনিতা ডেকা মহন্তৰ এই অনুৰোধ গুৱাহাটী উকীল সন্থাই বৰ্তমানলৈ সিদ্ধান্ত দিয়া নাই বুলি সদৰী কৰি অধিবক্তা অপূৰ্ব শৰ্মাই কয় যে জুবিন গাৰ্গৰ হত্যা গোচৰৰ বিচাৰৰ ক্ষেত্ৰত অসমৰ অধিবক্তা সমাজে আইনী সাহায্য আগনবঢ়োৱাটো নিশ্চিত। এতিয়ালৈকে কোনো এজন অধিবক্তাই তেওঁক আইনী সাহায্য প্ৰদান কৰিবলৈ আগবাঢ়ি অহা নাই। অৱশ্যে সম্পাদক অপূৰ্ব শৰ্মাই এইটোও আঙুলিয়াই দিয়ে যে শ্যামকানু মহন্তই আইনী সাহায্য পোৱাৰ ক্ষেত্ৰত সাংবিধানিকভাৱে কোনো বাধা নাই। তেওঁ আইনী সাহায্য পাবই। এইক্ষেত্ৰত তেওঁলোকে আইনী সেৱা প্ৰাধিকৰণৰ

( নপৃষ্ঠাত চাওক)

# ৰাজীৱ ভৱনত জ্যেষ্ঠ নেতা ৰিপুন

পৰা দোষটো আৰু দায়িত্বটো এৰুৱাবৰ বাবে দিব লাগে কাৰণেই চাৰ্জশ্বিট এখন দি বলটো আদালতলৈ ঠেলিলে। বৰাই আৰু কয়, যিবিলাক ধাৰা লগাইছে তাৰ ভিতৰত দুটা ধাৰাহে গুৰুত্বপূৰ্ণ। এটা হৈছে ১০৩, যিটো হত্যাৰ ধাৰা। আনটো হৈছে ১০৫। বাকী যিবোৰ ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা লগাইছে সেইবোৰ হৈছে অপৰাধমূলক ষড়যন্ত্ৰ, ধনৰ লেন-দেন আদিৰ। ৰিপুণ বৰাই সংবাদমেলত কয় জুবিন গাৰ্গৰ গোচৰত যিবোৰ ধাৰা লগাইছে এনে লাগিছে যেন চৰকাৰে দিব লাগে কাৰণে এখন চাৰ্জশ্বিট দিছে। চৰকাৰে পালমৰা, দায়সৰা চাৰ্জশ্বিট দিছে। 'সাপো মৰক লাঠিও নাভাঙক' ধৰণে চাৰ্জশ্বিট দিছে। আৰু চৰকাৰে গৌৰৱ কৰিছে যে এতিয়া আমি আমাৰ কাম কৰিলো। এতিয়া আমাৰ দায়িত্ব নাই। এতিয়া আদালতৰ ওপৰত কথা। ক্ৰিমিনেল গোচৰত এজন মানুহক আদালতে শাস্তি দিবলৈ হ'লে সন্দেহৰ ভিত্তিত হ'লে নহ'ব। সন্দেহ কৰি কলেই নহ'ব এয়া হত্যাকাণ্ড। যদি আমি চাৰ্জশ্বিটত প্ৰমাণ কৰিব পাৰো যে সন্দেহৰ উৰ্ধত গৈ কথাখিনি হৈছে তেতিয়াহে শাস্তি পাব। ধাৰা লগালেই নহ'ব। ৩৭০০ পৃষ্ঠা হ'লেই নহ'ব। হোটেলৰ বিল, বিমানৰ টিকট আদি দিলেই নহ'ব। দেখাত মানুহক দেখুৱাইছে যে আমি ৩৭০০ পৃষ্ঠাৰ চাৰ্জশ্বিট দিছো। তাত কি আছে? তাত আছে ছিংগাপুৰৰ হোটলৰ বিল, ৰেলৰ টিকট, তাত যি টেক্সি ব্যৱহাৰ কৰিছিল তাৰ বিল আছে। এনেকুৱা ধৰণৰ নথিয়ে আমাক কোনো সহায় নকৰে। কেৱল কথাবোৰ চাৰ্জশ্বিটত লিখিলেই নহ'ব। লিখা কথাবোৰ হয় বুলি কোৱা মানুহ ওলাব লাগিব। হত্যাত ব্যৱহাৰ হোৱা সামগ্ৰী জব্দ কৰিব লাগিব। কাৰোবাক গুলী কৰি মাৰিলে খালি কাৰ্টিজ কেইটাকে আৰক্ষীয়ে উদ্ধাৰ কৰে। কিন্তু জুবিন গাৰ্গে যিখন য়টত গৈছিল সেইখনকে আজিলৈ জব্দ কৰা হোৱা নাই। যদি হত্যাত ব্যৱহৃত বস্তুৱেই জব্দ নকৰে তেন্তে আদালতত কি হ'ব। গতিকে এইখন এখন পালমৰা চাৰ্জশ্বিট হৈছে। ঘটনাস্থলীলৈ এছআইটি গ'ল নে বুলি প্ৰশ্ন কৰে বৰাই। ঘটনাস্থলীয়েই নহয় তাত যি হোটেলত আছিল তাৰ হোটেলৰ কৰ্মচাৰীক জেৰা কৰিব লাগে। কোৱা হৈছে যে গোটেই ৰাতি পাৰ্টী চলিছিল। হোটেলৰ মেনেজাৰক জেৰা কৰিব লাগিছিল। য়টৰ সকলো যাত্ৰীক জেৰা কৰা নহ'ল। যদি জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ অভিযুক্ত সাৰি যায় তেন্তে ইতিহাসে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ক্ষমা নকৰে বুলিও কয় ৰিপুন বৰাই।

## Beauty of the Week



Chandrika Goswami

# প্ৰাক্তন গৃহমন্ত্ৰী শিৱৰাজ পাটিলৰ দেহাৱসান



ৰঙিলী বাৰ্তাসেৱা-দেশৰ প্ৰাক্তন গৃহমন্ত্ৰী তথা প্ৰবীণ কংগ্ৰেছ নেতা, লোকসভাৰ প্ৰাক্তন অধ্যক্ষ শিৱৰাজ পাটিলৰ শুক্ৰবাৰে পুৱাৰ ভাগতে মহাৰাষ্ট্ৰৰ লাটুৰত থকা নিজ বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে । মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯০ বছৰ। যোৱা কিছুদিন ধৰি প্ৰবীণ কংগ্ৰেছ নেতাগৰাকীয়ে বিভিন্ন বাৰ্ধক্যজনিত সমস্যাত ভুগি আছিল। সুদীৰ্ঘ ৰাজনৈতিক জীৱনত বিভিন্ন প্ৰশাসনিক দায়িত্ব পালন কৰিছিল শিৱৰাজ পাটিলে। ১৯৩৫ চনৰ ১২ অক্টোবৰত জন্মগ্ৰহণ কৰা পাটিলে ১৯৬৬ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত লাটুৰ পৌৰসভাৰ সভাপতি হিচাপে ৰাজনৈতিক যাত্ৰা আৰম্ভ কৰিছিল আৰু পৰৱৰ্তী সময়ত দুটা কাৰ্যকালৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হয়। ১৯৭৭ চনৰ পৰা ১৯৭৯ চনৰ ভিতৰত তেওঁ উপাধ্যক্ষ আৰু অধ্যক্ষকে ধৰি মহাৰাষ্ট্ৰ বিধানসভাত গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত হৈছিল । ইয়াৰ পিছত তেওঁ ৭ বাৰকৈ লাটুৰ লোকসভাৰ আসন দখল কৰি ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈকে লোকসভাৰ দশম অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । তেওঁ (দহ পৃষ্ঠাত চাওক)

# অৰুণাচল প্ৰদেশত ট্ৰাক বাগৰি অসমৰ ২১ শ্ৰমিকৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- অৰুণাচল প্ৰদেশৰ ভাৰত-চীন সীমান্তৱৰ্তী চাগলাগামত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। কামৰ সন্ধানত গৈ অৰুণাচল প্ৰদেশৰ আঞ্জাও জিলাৰ হায়ুলিয়াং-চাগলাগাম পথত সংঘটিত হোৱা দুৰ্ঘটনাটোত তিনিচুকীয়া জিলাৰ গেলাপুখুৰী আৰু ধেলাখাট চাহ বাগিচাৰ ২১জন শ্ৰমিকৰ মৃত্যু হয়। শ্ৰমিককেইজনৰ কৰুণ প্ৰাণহানিৰ ঘটনাই সমগ্ৰ ৰাজ্যতে শোকৰ ছাঁ পেলাইছে। এই ভয়াবহ পথ দুৰ্ঘটনাটো সংঘটিত হৈছিল যোৱা ৮ ডিচেম্বৰৰ নিশাই। কিন্তু বুধবাৰে নিশাৰ ভাগতহে এই দুৰ্ঘটনাটো পোহৰলৈ আহে। বৃহস্পতিবাৰে চলা অভিযানত ১৭জন দুৰ্ভগীয়া শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হয়। আনহাতে এই দুৰ্ঘটনাটোত ২৩ বছৰীয়া বুধেশ্বৰ দ্বীপ নামৰ শ্ৰমিকজন জীৱন্তে উদ্ধাৰ হয়। মূৰত আৰু মুখত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত বুধেশ্বৰে পথৰ পৰা ১, ০০০ ফুট তলৰ দুৰ্ঘটনা সংঘটিত হোৱা স্থান অতিক্ৰম কৰি কোনোমতে চিপৰাস্থিত ব'ৰ্ডাৰ ৰোডছ টাস্ক ফ'ৰ্চ (বিআৰটিএফ) ৰ শিবিৰত উপস্থিত হৈ সমগ্ৰ ঘটনাৰ বিষয়ে অৱগত কৰে। তাৰ পাছতে বৃহস্পতিবাৰে পুৱাৰ ভাগত অৰুণাচল আৰক্ষীয়ে সেনা বাহিনী, ব'ৰ্ডাৰ ৰোডছ অৰ্গেনাইজেচন, অঞ্জাৱ জিলা প্ৰশাসন আৰু ( নপৃষ্ঠাত চাওক)

# জুবিন গাৰ্গৰ হত্যাকাৰীক আদালতে শাস্তি দিবঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত চলাই থকা এছআইটিয়ে শুক্ৰবাৰে আদালতত দাখিল কৰিলে চাৰ্জশ্বীট। আদালতত দাখিল কৰা এই চাৰ্জশ্বীটক লৈ সমগ্ৰ ৰাজ্যই উৎকণ্ঠাৰে বাট চাই থকাৰ সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়টো সন্দৰ্ভত বৃহস্পতিবাৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- এছআইটিয়ে আদালতত চাৰ্জশ্বীট দাখিল কৰাৰ পাছত আৰক্ষীৰ কাম নাথাকিব। এই অভিযোগনামা আদালতে পৰীক্ষা কৰিব আৰু দোষীক আদালতে শাস্তি দিব। ন্যায়িক প্ৰক্ৰিয়াৰ ওপৰত আমি আস্থা ৰাখিব লাগে। চাৰ্জশ্বীট দাখিলৰ পিছত আৰক্ষীৰ তদন্তৰ কাম শেষ হোৱাৰ পাছত আদালতৰ কাম আৰম্ভ হ'ব। মই ভাবোঁ যে আদালতে নিশ্চিতভাৱে ন্যায় প্ৰদান কৰিব।

# নৱম শ্ৰেণীৰ ৩, ১০, ০৩১ শিক্ষাৰ্থীলৈ বিনামূলীয়া চাইকেল বিতৰণ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় জিলাৰ ফুলবাগানস্থিত পুৰণি চৰকাৰী বালক উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চৰকাৰী আৰু প্ৰাদেশীকৃত মাধ্যমিক বিদ্যালয়ত নৱম শ্ৰেণীত অধ্যয়নৰত ৩, ১০, ০৩১ গৰাকী শিক্ষাৰ্থীলৈ বিনামূলীয়া চাইকেল বিতৰণৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। ইয়াৰে ১, ৩৪, ৪৩২জন ছাত্ৰ আৰু ১, ৭৫, ৬০৮গৰাকী ছাত্ৰী। উল্লেখ্য যে এই আঁচনিখনে চাহ বাগিচা মডেল স্কুল আৰু আদৰ্শ বিদ্যালয়সমূহকো সামৰি লৈছে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ব্যক্তিবিশেষে জীৱনৰ সপোনবোৰ বেলেগ বেলেগ হয় যদিও এই সপোনবোৰ পূৰণ কৰিবলৈ হ'লে এটা পৰ্যায়লৈকে প্ৰতিগৰাকী ব্যক্তিয়েই শিক্ষাগ্ৰহণ কৰিব লাগে। কিন্তু অসমত শিক্ষানুষ্ঠানত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ৬ শতাংশই নামভৰ্তিৰ ৪-৫ বছৰৰ পিছতে শিক্ষানুষ্ঠান ত্যাগ কৰে। পৰৱৰ্তী সময়ত অষ্টম শ্ৰেণী পৰ্যায়ত পুনৰ ৮ শতাংশ শিক্ষাৰ্থীয়ে বিদ্যাগ্ৰহণ এৰি দিয়ে। যাৰ ফলত প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰাৰ পৰা ( নপৃষ্ঠাত চাওক)

# ২২ ডিচেম্বৰত প্ৰদান কৰা হ'ব স্বাস্থ্য আৰু চিকিৎসা শিক্ষা বিভাগৰ নিযুক্তিপত্ৰ



ৰঙিলী বাৰ্তাসেৱা- অহা ২২ ডিচেম্বৰত স্বাস্থ্য আৰু চিকিৎসা শিক্ষা বিভাগৰ পৰীক্ষাত উত্তীৰ্ণসকলক নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা সদৰী কৰিলে। উল্লেখ্য যে ৰাজ্য চৰকাৰে ইতিমধ্যে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষকৰ নিযুক্তি-পত্ৰ বিতৰণৰ পাছত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ নিযুক্তি-পত্ৰ বিতৰণৰ দিনো ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ঘোষণা কৰিছিল যে চলিত ডিচেম্বৰ মাহৰ ভিতৰতে বিভিন্ন বিভাগৰ নিযুক্তি-পত্ৰসমূহ বিতৰণ কৰা হ'ব। শিক্ষকৰ নিযুক্তিৰ পাছত ( নপৃষ্ঠাত চাওক)

# জলজীৱন আঁচনিৰ দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে প্ৰদেশ কংগ্ৰেছৰ প্ৰতিবাদ অব্যাহত



ৰঙিলী বাৰ্তাসেৱা- বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ আমোলত জলজীৱন মিছনত সংঘটিত হোৱা দুৰ্নীতি আৰু অনিয়মৰ বিৰুদ্ধে অব্যাহত আছে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰতিবাদ। আঁচনিখনৰ চৰম ব্যৰ্থতা আৰু ব্যাপক দুৰ্নীতিৰ বিৰুদ্ধে গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত তথা ডিমৰীয়া ব্লক কংগ্ৰেছ কমিটীৰ সহযোগত সোণাপুৰ নিউ মাৰ্কেট অঞ্চলত এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জলজীৱন আঁচনিত সংঘটিত হোৱা দুৰ্নীতি তথা হাজাৰ হাজাৰ থলুৱা ঠিকাদাৰসকলৰ অনাদায় হৈ থকা ধন শীঘ্ৰে আদায় দিবলৈ চৰকাৰক দাবী জনাই এই প্ৰতিবাদ সাব্যস্ত কৰা হয়। প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত নল আছে জল নাই, ঠিকাদাৰৰ প্ৰাপ্য আদায় দিয়ক, থলুৱা ঠিকাদাৰক ভাতে মৰাৰ নীতি বন্ধ কৰক, বিজেপি চৰকাৰ হায় হায় আদি ধ্বনিৰে শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে সোণাপুৰৰ আকাশ-বতাহ কঁপাই তোলে। জলজীৱনৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ বৃহৎ আঁচনি এখন ৰূপায়ণ হোৱাৰ পিছতো এটুপি খোৱাপানীৰ বাবে ৰাজ্যখনৰ বেছিভাগ অঞ্চলৰ মানুহে হাহাকাৰ কৰি থাকিবলগীয়া হোৱাতো দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি প্ৰতিবাদকাৰীসকলে ( নপৃষ্ঠাত চাওক)

# হৰ্ণবিলঃ এক জনপ্ৰিয় বৃহৎ থলুৱা উৎসৱ

নিবেদিতা হাজৰিকা, লখিমপুৰ



নাগালেণ্ডৰ অন্যতম চিনাকি সাংস্কৃতিক অনুষ্ঠান হৈছে হৰ্ণবিল উৎসৱ। প্ৰতি বছৰে ১ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ নাগালেণ্ডৰ ৰাজধানী ক'হিমাকে ধৰি সমগ্ৰ ৰাজ্য খনতে বিৰাজ কৰে এক উৎসৱমুখৰ পৰিৱেশৰ। ৰাষ্ট্ৰীয় সংগীতেৰে শুভাৰম্ভণি হোৱা এই উৎসৱৰ আগমনে সমগ্ৰ ৰাজ্যখনতে এক উখল মাখল পৰিৱেশৰ সৃষ্টি কৰে। নাগালেণ্ডৰ ৰাজধানী কোহিমা(ক'হিমা)ৰ পৰা প্ৰায় ১২ কিলোমিটাৰ দূৰত অৱস্থিত নগা ঐতিহ্য গাঁও কিচামাত 'উৎসৱৰ উৎসৱ' (Festival of Fastival) ৰূপে অভিহিত হৰ্ণবিল উৎসৱৰ উদ্যাপন কৰা হয়।

হৰ্ণবিল উৎসৱঃ মূলতঃ ধনেশ পক্ষীৰ নামত উৎসৰ্গিত উৎসৱ। এই উৎসৱ হৰ্ণবিল নামৰ চৰাইবিধৰ প্ৰতীকি ৰূপ। হৰ্ণবিল (ধনেশ পক্ষী) এবিধ ডাঙৰ আৰু ৰঙীণ চৰাই। এই বিধ চৰাই নগা সকলৰ আটাইতকৈ শ্ৰদ্ধাৰ আৰু প্ৰশংসিত চৰাই। নগা জনগোষ্ঠীৰ লোক সংস্কৃতিত শৌৰ্যৰ প্ৰতীক হিচাপে গণ্য কৰা হয় আৰু নগা সকলে যুগ-যুগ ধৰি হৰ্ণবিল চৰাইটোক সন্মান কৰি আহিছে। উল্লেখ্য যে হৰ্ণবিল উৎসৱত গোৱা লোক কথা আৰু গীতবোৰে এই চৰাইটোৰ গুৰুত্বক চিত্ৰিত কৰে। উল্লেখ্য যে, নাগালেণ্ডৰ বিভিন্ন জনজাতি সমূহৰ মাজত ভাব বিনিময়ৰ বিকাশ তথা নাগালেণ্ডৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰচাৰৰ বাবে এই ৰাজ্যৰ চৰকাৰে এই দহ দিন (ডিচেম্বৰৰ প্ৰথম সপ্তাহটোত) হৰ্ণবিল উৎসৱ পালন কৰি আহিছে। এই সাংস্কৃতিক উৎসৱে নাগালেণ্ডৰ পৰ্যটনৰ বিকাশত বিশেষ গুৰুত্ব তথা ভূমিকা পালন কৰাৰ লগতে এই উৎসৱে পৰ্যটক সকলক নগা কৃষ্টি তথা সংস্কৃতিৰ বিষয়ে জনাৰ লগতে অভিজ্ঞতা লাভৰ সুবিধা প্ৰদান কৰি আহিছে।

হৰ্ণবিল উৎসৱ হৈছে ভাৰতৰ আটাইতকৈ দীঘলীয়া আৰু জনপ্ৰিয় সংগীতানুষ্ঠান। ৰাজ্যখনৰ পৰ্যটনক প্ৰসাৰিত কৰিবৰ বাবে নাগালেণ্ডৰ ৰাজ্য চৰকাৰে আয়োজন কৰা ই এক থলুৱা উৎসৱ। ই নাগালেণ্ডৰ পৰিচয় শক্তিশালী কৰাৰ লগতে জনজাতীয় লোকসকলৰ সংস্কৃতি তথা পৰম্পৰা উন্মোচন কৰে।

এই উৎসৱত মূলতঃ বিভিন্ন নৃত্য আদিৰ সমাহাৰ ঘটে, জাকজমকতাৰে বিভিন্ন নৃত্য - গীত পৰিৱেশন কৰা হয়। নগা জনগোষ্ঠীৰ পাৰম্পৰিক খেল - ধেমালি, নগা খাদ্যৰ পৰিৱেশন আদিয়ে ইয়াৰ মূল। এই সমূহৰ উপৰিও পৰম্পৰাগত নগা কলা

( ছয় পৃষ্ঠাত চাওক)

# সূৰ্য্য থিয়েটাৰৰ নাট "মোৰ চকুলোৰে একাপ চাহ, এজন দৰ্শকৰ দৃষ্টিৰে"




যশস্বী নাট্যকাৰ অভিজিত ভট্টাচাৰ্যৰ ৰচনা আৰু পৰিচালনাৰে সমৃদ্ধ সূৰ্য্য থিয়েটাৰৰ ২০২৫/২৬ বৰ্ষৰ এখনি মঞ্চ সফল নাট হৈছে "মোৰ চকুলোৰে একাপ চাহ", ভ্ৰাম্যমাণ জগতৰ বলিষ্ঠ অভিনেতা মৃদুল ভূঞাৰ অভিনীত এই নাটখনক ইতিমধ্যে দৰ্শকে বিপুল সঁহাৰি জনাই আকোঁৱালি লোৱা পৰিলক্ষিত হৈছে । শদিয়াৰ পৰা ধুবুৰী পৰ্যন্ত এই নাটখনৰ দুটা, তিনিটা দৰ্শনী এটি নিশাত চলিছে। নাটখনৰ কাহিনীৰ পটভূমি এজন চাহ দোকানীৰ জীৱন সংগ্ৰামৰ ওপৰত আধাৰিত, চাহ দোকানীৰ চৰিত্ৰত অভিনয় কৰিছে মৃদুল ভূঞাই । চাহ দোকানখন সম্বল কৰি লৈ চৰিত্ৰটোৱে আনৰ সপোন পূৰণ কৰি এটা সময়ত থমকি ৰব লগা হয়। এজন ভায়েকৰ দায়িত্ব, এজন গিৰিয়েকৰ কৰ্তব্য পালন কৰিবলৈ গৈ যি ত্যাগ, বলিদান, সমৰ্পণ স্বীকাৰ কৰিব লগা হয় তাৰেই এক জলন্ত ছবি নাটখনৰ জৰিয়তে দৰ্শক সকলোক দেখুওৱা হৈছে। এখন বাস্তৱধৰ্মী সামাজিক নাট য'ত এজন ব্যক্তিয়ে নিজৰ দায়িত্ব, কৰ্তব্য পালন কৰিবলৈ হ'লে কিমান দুখকষ্ট সহ্য কৰি ঘাটপ্ৰতিঘাটৰ মাজেৰে নিজৰ দুচকুৰ চকুলো মচি নিৰ্ভীকভাবে মেৰুদণ্ড পোনাই খোজ কাঢ়িব লাগে তাৰেই যেন এক বাৰ্তা প্ৰেৰণ কৰিছে । নাট উপভোগ কৰি উঠি যেতিয়া এজন দৰ্শক হিচাপে অভিনেতা মৃদুল ভূঞাক হাৰ্টথ্ৰব জুবিন গাৰ্গৰ সন্দৰ্ভত প্ৰশ্ন কৰা হ'ল তেতিয়া তেখেতে প্ৰথমে জুবিন গাৰ্গক গভীৰ শ্ৰদ্ধাঞ্জলি জনাই কয় জুবিন গাৰ্গৰ প্ৰকৃত সত্তা আমি বৈ বৈ বিনালে আৰু জয় জুবিন দাৰ মাজতে কৰবাত হেৰুৱালোঁ। ভ্ৰাম্যমাণ জগতত জুবিন গাৰ্গৰ যি বৃহৎ অৱদান সেই ক্ষেত্ৰত ভ্ৰাম্যমাণ জগতৰ হোৱা ক্ষতি আৰু দুনাই পূৰাব পৰা নেযাব।

শৈলেন কুমাৰ, মিৰ্জা

# হৃদয়ৰ নিস্তব্ধ পোহৰ



চিমী বৰুৱা

মন, তই আকৌ হাঁহি দে
এতিয়া শু অলপ ধীৰে..
দুখৰ কণা কেইটা মাটিত পেলাই
নতুন দুটা শ্বাস ল'ই দে।
আকাশখন চাবি-
এনে নীলা, এনে বিশাল,
যেন ক'বলৈ চেষ্টা কৰে
'তোৰ বাবে জগতত স্থান আছে বোৱা,
হেৰাই নেপেলা।'
জোনাকৰ আলোত
এটা শীতলতা থাকে,
মনটো ব্যথাত থকাও
সেই আলোতেই কোমলকৈ ঢাকি ল'বা।
যি কণ্টক আজিলে আঁকোচি ধৰি থইছ
তাক সৰু সৰু ধুলিৰ দৰে
লাহে লাহে,
হাতত লয় ফো কৰি উৰাই দে।
মনত ৰাখিবি-
তই একো কম নহয়
তোৰ হৃদয়খন যিমান গভীৰ
তোক মানি ল'ব জান
বিশ্বৰ কোনো মধুৰ মনে ।

# জীৱন সমীপেষু



মিতালি বৰঠাকুৰ, মালিগাওঁ, গুৱাহাটী

এতিয়া আকাশ ৰাঙলী হ'ল
আবেলি বেলিৰ তেজেধোৱা গা —
বতাহৰ গাটো লাগি আছে তেজৰ চেকুৰা
ৰ'দৰ মৌন প্ৰতিবাদ
সীমনাৰ সিপাৰে আকাশৰ উচুপনি
সময়ৰ প্ৰহসনত জীৱন সীমাবদ্ধ
দিগন্তব্যাপী মৌন সমদল
নিমাত পৃথিৱী
ৰাতিৰ প্ৰহৰত ঢলি পৰা আকাশ
তথাপি,
প্ৰীতিৰ কথকতাৰে জীৱন অনুপম ।

# নিঃসংগ প্ৰভাতৰ স্বপ্নকণা



নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি

নিসঙ্গ প্ৰভাতৰ নিস্তব্ধ বুকুত,
কুঁৱলীৰ আঁৰে আঁৰে
উমলি উঠে যেন এক অচিন
স্বপ্নৰ কণিকা তোমাৰ চকুত।
ইয়াতে মই বিলীন হওঁ
নিঃশব্দ আবেগৰ এটি
অদৃশ্য ছায়াৰ কোলাত।
গোলাপৰ পাহিবোৰ উৰি যায়
তোমাৰ হাঁহিৰ নীৰৱ শব্দত;
হৃদয়ৰ বেদনাই ফুল হৈ ফুলে
মনৰ আনন্দৰ জোৱাৰত।
কুঁৱলী - ই স্মৃতি, প্ৰেম,
আৰু অন্তৰৰ অস্পষ্ট অনুভৱৰ
এক প্ৰতিমূৰ্তি,
যি প্ৰতিপ্ৰভাতে তোমাৰ স্মৃতিৰ ৰূপ লৈ আহে
আৰু সোণোৱালী ক্ষণবোৰ সোঁৱৰাই দিয়ে।
মায়াময় কুঁৱলীৰ আঁচল আঁতৰিলেই
আৱেগবোৰো যেন নিঃশেষ হৈ
অদৃশ্যতাৰ অন্তৰালত মিলি পৰে।

অণুগল্প

## ঢেঁকীৰ শব্দ

যমুনা দুলু বৈশ্য, শুৱালকুছি



তাহানি জাকৰুৱা দিনৰ হাঁহি, কুকুৰা প্ৰথম ডাকতে শুনা ধান বনাৰ শব্দ শুনিবলৈ নাপাওঁ। বহু স্মৃতিৰ সময়ৰ খোজত সাধুকথাৰ কুকিত বন্দী হৈছে সঁচা কাহিনী বোৰ -!! সময়ৰ অভাৰ, গাওঁ খন ক্ৰমে নগৰ হ'ল বহু পৰিবৰ্তন ।

## জেংখৰি

ৰিজু কাকতি, গুৱাহাটী

আইৰ হাতত ভাত সাঁজ, আধুনিকতাৰ পৰশ নাই আছে নিভাঁজ মৰম...

## হৰ্ণবিলঃ এক জনপ্ৰিয়

যেনে - বিভিন্ন চিত্ৰ কাৰুকাৰ্য ইত্যাদিৰ প্ৰদৰ্শনীও অনুষ্ঠিত হয়। ফুলৰ প্ৰদৰ্শনী, সৌন্দৰ্য প্ৰতিযোগিতা, মিছ নাগালেণ্ড সুন্দৰী প্ৰতিযোগিতা, পৰম্পৰাগত আৰ্চাৰী, নগা মল্ল যুঁজ আদিও ইয়াত প্ৰদৰ্শিত হয়। এই উৎসৱে নগা জনগোষ্ঠীৰ জনজাতীয় জীৱনক নিচেই কাষৰ পৰা উপভোগ কৰাৰ সুবিধা প্ৰদান কৰে। নগা কৃষ্টি -সংস্কৃতিৰ বিষয়ে চাক্ষুস জ্ঞান বা অভিজ্ঞতা লাভৰ এখন উপযুক্ত মঞ্চ বা উৎসৱ হৈছে হৰ্ণবিল উৎসৱ। ধনেশ পক্ষীৰ নামত উৎসৰ্গিত নাগালেণ্ডৰ এই উৎসৱে নগা জনগোষ্ঠীক সমৃদ্ধ কৰি তুলিছে। পৰ্যটক সকলৰ মূখ্য আকৰ্ষণ হৈ পৰিছে এই উৎসৱ। প্ৰতি বছৰে বহু পৰ্যটকৰ আগমন ঘটে। ইয়াৰ ফলত এই ৰাজ্যৰ অৰ্থনীতি টনকিয়াল কৰি তোলাৰ ক্ষেত্ৰত বিশেষ সহায়ক হৈ পৰিছে।

# মানুহৰ অমানৱীয় আচৰণৰ কাৰণ আৰু ইয়াক নিৰ্মূল কেনেকৈ কৰিব পাৰি



অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

অমানবীয় আচৰণৰ কোনো শিক্ষা বিভাগ দায়ী নহয়। ইয়াৰ কাৰণে প্ৰথম দায়ী ঘৰখন আৰু অভিভাৱক সকল।

ঘৰখনৰ পৰিৱেশ আৰু মাক-দেউতাকৰ ওপৰত নিৰ্ভৰ কৰে। যদি মাক- দেউতাকৰ নৈতিক আৰু মানৱীয় গুণ নাথাকে সন্তানে কি শিকিব। কাৰণ ঘৰখনৰ পৰা সমাজ আৰম্ভ হয়, ঘৰখনত মাক-দেউতাকৰ পৰা আৰম্ভ কৰি পৰিয়ালৰ লোকসকলক সৰুৰে পৰা শিশুসকলে অনুকৰণ কৰি শিকে।যদি ডাঙৰৰ মানৱীয় গুণ নাই সৰু সকলে কি শিকিব? প্ৰত্যেকটো পৰিয়ালৰ দায়িত্ব নিজৰ ঘৰৰ পৰিৱেশ বাতাবৰণ সুস্থ ৰখা, এনেধৰণৰ সজাগতাই সমাজখন সুস্থ হব।

প্ৰতিকাৰ -তাৰ কাৰণে অভিভাৱক সকল নিচাসক্তৰ পৰা মুক্ত হব লাগিব, লগতে ঘৰৰ হাই কাজিয়া পৰিৱেশ থাকিব নালাগিব। তাৰ লগতে "মানুহে মানুহৰ বাবে" ড° ভুপেন হাজৰিকাৰ দেৱ গানটো আমাৰ সন্তান সকলক শিকাব লাগিব। এনেকুৱা কিছুমান ব্যৱস্থা কৰিলে, সৰুৰে পৰা নৱ প্ৰজন্মৰ মাজত সমাজ সচেতন মনোভাৱ গঢ়ি তুলিব পাৰিম ।

প্ৰথম বিবেকক আগস্থান দিব লাগিব লগতে আমি নিজে সজাগ হ'বই লাগিব।

মানুহ এজনক কোনোবাই মাৰিব ওলাইছে সহায় কৰিব নোৱাৰিলে, লগে লগে পুলিচক, বিভিন্ন সংগঠনক ফোন কৰি মানুহ জনক ৰক্ষা কৰা, তাৰ পিছত হে আলোচনা কৰি তেওঁ যদি দোষী সেই হিচাপে পুলিচক গটাই দিয়া । কোনো কাৰণত মৱেল পুলিচ হৈ আইন হাতত তুলি লোৱা উচিত নহয়। কোনোবাই কাৰোবাক মাৰি আছে ফটো তুলি আপলোড কৰাৰ সলনি, প্ৰথমে ঐক্যবদ্ধ হৈ ৰক্ষা কৰাত গুৰুত্ব দিয়া। এনেকৈয়ে কিছুমান ব্যৱস্থাৰে প্ৰতিকাৰ কৰিলে এই বোৰ নিৰ্মূল হব। এখন সুস্থ সমাজৰ আশা কৰিব পাৰিম।

# আমাৰ শৰীৰত থকা বিশেষ ইন্দ্ৰিয়বোৰ

বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও




শৰীৰত থকা পঞ্চ ইন্দ্ৰিয়ৰ কথা আমি সকলোৱেই জানো নহয় নে বাৰু! সেই কেইটা হৈছে চকু, কাণ, নাক, জিভা আৰু ছাল। এই ইন্দ্ৰিয় সমূহ হৈছে একোটাইঁত জটিল যন্ত্ৰ। ইহঁতে আমাক নিজৰ শৰীৰৰটোৰ উপৰিও চৌপাশৰ সকলো ঘটনাৰ বা-বাতৰি পলে পলে যোগান ধৰি থাকে। শৰীৰৰ ঘাই পঞ্চ ইন্দ্ৰিয় বা পঞ্চেন্দ্ৰিয় কেইটাক দুটা ভাগত ভগাব পাৰি।এটা হৈছে কৰ্ম ইন্দ্ৰিয় বা কৰ্মেন্দ্ৰিয় আৰু আনটো হৈছে জ্ঞান ইন্দ্ৰিয় বা জ্ঞানেন্দ্ৰিয়। কৰ্মেন্দ্ৰিয় কেইটা হৈছে হাত, ভৰি, পায়ু, উপস্থ (জনন ইন্দ্ৰিয়) আৰু মুখ। জ্ঞানেন্দ্ৰিয় কেইটা হৈছে চকু যাক দৰ্শনেন্দ্ৰিয় বুলি কোৱা হয়, কাণ যাক শ্ৰৱণেন্দ্ৰিয় বুলি কোৱা হয়, নাক যাক ঘ্ৰাণেন্দ্ৰিয় বুলি কোৱা হয়, জিভা যাক স্বাদেন্দ্ৰিয় বুলি কোৱা হয় আৰু শেষত ছাল যাক স্পৰ্শেন্দ্ৰিয় বুলি কোৱা হয়। ইন্দ্ৰিয় সমূহ আছে বাবেই আমি জীৱৰ শ্ৰেণীত আছোঁ। অন্যথা আমি জড় পদাৰ্থ হৈ নপৰিম নে?

ইন্দ্ৰিয় সমূহৰ লগত সংযুক্ত হৈ থকা স্নায়ুকোষে চৌপাশৰ সকলো পৰিবৰ্তন বা ঘটনাৰ তথ্য সংগ্ৰহ কৰি স্নায়ু-উত্তেজনা হিচাপে বিশেষ স্নায়ুৰ সহায়ত মগজুলৈ প্ৰেৰণ কৰে আৰু মগজুৱে বিশ্লেষণ কৰি আন কেতবোৰ স্নায়ুৰ সহায়ত শৰীৰৰ বিশেষ বিশেষ অংগক কাৰ্য সমাপনৰ বাবে নিৰ্দেশনা দিয়ে। আন কিছুমান অনুভূতি যেনে - গৈ থকাৰ অনুভূতি, বৈ থকাৰ অনুভূতি, বিষৰ অনুভূতি, ভোকৰ অনুভূতি, ভাৰসাম্য ৰক্ষাৰ অনুভূতি আদি পঞ্চ ইন্দ্ৰিয়ৰ দ্বাৰাই নিয়ন্ত্ৰণ হয়।

কেতিয়াবা কিছুমান ক্ষেত্ৰত নিজৰ অনুমান বা নিজৰ উপলব্ধিৰে কৰা হয়। কোনোৱে কয় "ষষ্ঠ ইন্দ্ৰিয়ই ক'লে"। এই ষষ্ঠ ইন্দ্ৰিয় হৈছে অন্ত দৃষ্টি সম্পন্ন উপলব্ধি। ই এটা নিৰ্দিষ্ট ইন্দ্ৰিয় নহয় ই মানুহৰ গভীৰ অনুভূতি আৰু অনুমানৰ ক্ষমতা। উদাহৰণ স্বৰূপে তোমালোকৰ বন্ধু বান্ধৱীয়ে কেতিয়াবা আগতীয়াকৈ কোৱা কিছুমান কথা সঁচা হৈ পৰে। তুমি ফোন কৰিম বুলি ভবা ব্যক্তি জনৰ পৰা সেই মূহুৰ্তত ফোন কল পোৱা আদি কথা বোৰ টেলিপ্যাথি। অৰ্থাৎ মৌখিক বা লিখিতভাৱে যোগাযোগ নকৰাকৈ মনৰ ভবা কথা মিলি যোৱা। ভাবিলে আচৰিত লাগে নহয় নে?



'মোৰ গান হওক
বহু আস্থাহীনতাৰ
বিপৰীতে এক
গভীৰ আস্থাৰ গান'
গ্ৰন্থবৰ্ষ ২০২৫
অসম চৰকাৰ
সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ
জন্ম-শতবাৰ্ষিকী তথা গ্ৰন্থবৰ্ষ ২০২৫
উপলক্ষে প্ৰকাশিত
জীৱন আৰু কীৰ্তিৰ অৱলোকনেৰে সমৃদ্ধ গ্ৰন্থ
ভূপেন হাজৰিকা
গীতৰ চিত্ৰকৰ সুৰৰ ভাস্কৰ
জীৱনবৃত্ত
ভূপেন হাজৰিকা
গীতৰ চিত্ৰকৰ সুৰৰ ভাস্কৰ
অনুৰাধা শৰ্মা পুজাৰী
JANASANYOG- 3453/25/14-Dec-25
প্ৰথম পিতৃ হ'ব খোজা মানুহজনক চিকিৎসকে সুধিছিল, সন্তান বা মাতৃ— 'এজনকহে বচাব পৰা যাব, কাক ৰাখিম?' ভূপেন হাজৰিকাৰ সৈতে সংযোগ থকা কি আছিল সেই ঘটনাটো!
দহ বছৰীয়া ভূপেন হাজৰিকাক বিচাৰি জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভা আৰু ফণী শৰ্মা কিয় আহিছিল তেওঁলোকৰ ঘৰলৈ!
স্কুলৰ হাতে লিখা আলোচনীত ভূপেন হাজৰিকাই প্ৰথম কবিতা লিখিছিল। কোনটো কবিতা!
ভূপেন হাজৰিকাৰ এটা গীত গাই লতা মংগেশকাৰে কৈছিল— 'মই এনেকুৱা কথা-সুৰ আগতে পোৱা নাই!' কি যে গীত আছিল সেইটো!
১৯৫২ চনত ভূপেন হাজৰিকাই গৱেষণা সম্পন্ন কৰি দুদিন ধৰি আটলাণ্টিক মহাসাগৰৰ মাজেৰে যাত্ৰা কৰি থাকোঁতে মহাসাগৰৰ শান্ত ৰূপ দেখি অবাক হৈছিল। ইয়াৰ আলমতে সৃষ্টি হৈছিল এটা বিখ্যাত গীত!
গ্ৰন্থখনত সন্নিৱিষ্ট হৈ আছে এনে বহু আমোদজনক তথ্য
বিশিষ্ট সাহিত্যিক
অনুৰাধা শৰ্মা পূজাৰীৰ দ্বাৰা ৰচিত গ্ৰন্থখন
মুখ্যমন্ত্ৰীৰ পৰা
উপহাৰ স্বৰূপে লাভ কৰিবলৈ
bhupenhazarikabiography.com
প'ৰ্টেলযোগে আবেদন কৰক
স্কেন কৰক
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

# Dr Naba J Borah: A Neurosurgeon with a Golden Touch

*From the previous section*

**Heramba Nath**



The emergency surgery he performed required extraordinary skill and vigilance, and the recovery was nothing short of miraculous. Throughout, his meticulous care reflected not only professional brilliance but also a profound human kindness.

My own encounter as a patient further reinforced my admiration. Suffering from a Prolapsed Intervertebral Disc (PIVD L5/S1), I faced debilitating pain and anxiety. Dr Borah's kindness, clarity, and thorough consultation reassured me completely. The surgery, conducted under his supervision, restored my mobility and relieved pain. His post-operative guidance, personal attention, and empathetic follow-ups were invaluable. Today, I remain free of pain and forever grateful to him.

Stories like mine resonate across Assam and the Northeast. Patients travel from distant towns, even neighbouring states, seeking not just his surgical expertise but the sense of security his presence offers. Colleagues describe him as disciplined, meticulous, and ethical; nurses and staff respect his humility, approachability, and fairness. He fosters a work environment where collaboration and compassion thrive.

Dr Borah's personality embodies a harmonious blend of science and humanity. His soft-spoken nature, thoughtful pauses, gentle humour, and warm eye contact create an aura of calm, even in high-pressure situations. His words carry sincerity, his actions reflect empathy, and his dedication is effortless—not a professional obligation, but an intrinsic part of his character.

Despite decades of service, numerous awards, and widespread recognition, he remains remarkably humble. He treats every patient with dignity and warmth, never allowing prestige to overshadow empathy. In an increasingly commercialised medical world, he stands as a guardian of the true values of medicine.

Beyond surgery, Dr Borah actively participates in public health education, delivering talks, seminars, and awareness programmes. He explains neurological conditions in accessible language, helping communities understand preventive care and early recognition of symptoms. His engagement is rooted in service, not promotion—a reflection of his selfless approach.

He has also contributed extensively to medical academies and research forums, mentoring postgraduate students and young neurosurgeons. His guidance encompasses not just surgical technique but also professional ethics, discipline, and compassionate patient care. For many emerging neurosurgeons, he is a model of excellence both inside and ou tside the operating theatre.

Dr Borah's career is adorned with numerous accolades: Fellowship in Endoscopic Neurosurgery (FENS), Fellowship in Pain Medicine (FIPM), Torrent Young Scholar Award in Neurosurgery (2013), Young Neurosurgeons' Scholarship by the Asian Congress of Neurological Surgeons (2013), and recognition by GNRC Hospitals on its 37th Foundation Day. In 2025, he and his team received the Economic Times Industry Leaders Northeast 2025 Award in Healthcare for Excellence in Neuro and Spine Surgery—a recognition of the team's innovation, dedication, and world-class patient care.

What makes Dr Borah's story truly remarkable is his unwavering commitment to Assam and the Northeast. While many trained professionals seek opportunities abroad, he chose to serve his homeland.

***Next Issue***

# শ্ৰম, শ্ৰমদান আৰু তৰুণ শক্তিঃ জাতি গঠনৰ আধাৰ

**যোৰাখণ্ডৰ পৰা...**



**নলিনী ৰঞ্জন ভূঞা, জামুগুৰিহাট, শোণিতপুৰ**

আনকি আমাৰ ঘৰ-দুৱাৰ সজা, ৰাস্তা-ঘাট নিৰ্মাণ কৰা বা চুলি কটাৰ দৰে সেৱা মূলক কামবোৰৰ বাবেও আমি বহিঃৰাজ্যৰ পৰা অহা শ্ৰমিকৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ ফলত প্ৰতিদিনে কোটি কোটি টকা আমাৰ ৰাজ্যৰ পৰা বাহিৰলৈ ওলাই গৈছে। অথচ আমাৰ লাখ লাখ শিক্ষিত যুৱক-যুৱতীয়ে চৰকাৰী চাকৰিৰ আশাত দিনৰ পাছত দিন অতিবাহিত কৰি হতাশাত ভুগিছে। যদি আমাৰ তৰুণ শক্তিয়ে এই লাজ আৰু হীনমন্যতা ত্যাগ কৰি নিজৰ কাম নিজে কৰিবলৈ আগবাঢ়ি আহে, তেতিয়া এক বৃহৎ পৰিমাণৰ ধন ৰাজ্যৰ ভিতৰতে থাকি যাব আৰু আমাৰ অৰ্থনীতি স্বাৱলম্বী হৈ উঠিব। শ্ৰমৰ কোনো বিকল্প নাই আৰু কোনো কামেই সৰু নহয়- এই ধাৰণাটো বাস্তৱত প্ৰতিফলিত কৰাৰ দায়িত্ব আজিৰ তৰুণ প্ৰজন্মৰ ওপৰত নিৰ্ভৰ কৰিছে ।

শ্ৰমৰ সমান্তৰাল ভাৱে 'শ্ৰমদান'ৰ ধাৰণাটোৱেও সমাজ গঠনত এক বৈপ্লৱিক ভূমিকা পালন কৰিব পাৰে। শ্ৰমদান মানে হৈছে কোনো পাৰিশ্ৰমিকৰ আশা নকৰাকৈ সমাজৰ কল্যাণৰ বাবে স্বেচ্ছাই কৰা কাম। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত মহাত্মা গান্ধীয়ে মদানক এক মহৎ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। তেখেতে কৈছিল যে- যি মানুহে দিনটোত অলপ সময়ো কায়িক শ্ৰম নকৰে, তেওঁৰ খোৱাৰ অধিকাৰ নাই। আজিৰ ভোগবাদী সমাজত আমি ইমানেই আত্মকেন্দ্ৰিক হৈ পৰিছো যে- সমাজৰ বাবে কিবা এটা কৰাৰ কথা আমি অনুভৱেই নকৰো । সাধাৰণতে আমাৰ গাঁও বা নগৰৰ সাধাৰণ ৰাস্তা এটা বেয়া হ'লে আমি চৰকাৰক সমালোচনা কৰিয়েই দায়িত্ব শেষ কৰো। কিন্তু সেই ঠাইৰ লোক বা যুৱক-যুৱতী সকলে যদি সপ্তাহত এদিন বা মাহত এদিন একগোট হৈ শ্ৰমদানৰ জৰিয়তে সেই ৰাস্তা মেৰামতি কৰে, নলা-নৰ্দমা পৰিষ্কাৰ কৰে অথবা গছপুলি ৰোপণ কৰি প্ৰতিপালন কৰে, তেতিয়া আমাৰ সমাজৰ চেহেৰাই সলনি হৈ যাব বুলি কব পাৰি। শ্ৰমদানে কেৱল বাহ্যিক পৰিৱেশ চাফা নকৰে, ই মানুহৰ মনৰ পৰা অহংকাৰ আৰু ভেদাভেদৰ ভাৱ দূৰ কৰি একতাৰ সৃষ্টি কৰে।

শ্ৰম আৰু শ্ৰমদানৰ অভ্যাস গঢ়ি তুলিবলৈ হ'লে আমাৰ শৈক্ষিক পাঠ্যক্ৰমতো কিছু পৰিৱৰ্তন অনাৰ প্ৰয়োজন আছে। ছাত্ৰাৱস্থাৰ পৰাই শিশুক কায়িক শ্ৰমৰ সৈতে পৰিচয় কৰাই দিয়াতো প্ৰয়োজন। বিদ্যালয়ৰ ফুলৰ বাগিচা চাফা কৰা, শ্ৰেণীকোঠা পৰিষ্কাৰ কৰা বা দুপৰীয়াৰ আহাৰ গ্ৰহণৰ স্থান পৰিষ্কাৰ কৰাৰ দৰে কামবোৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰাই কৰাব লাগে। ইয়াৰ দ্বাৰা তেওঁলোকৰ মনত কামৰ প্ৰতি সন্মান জাগি উঠে। তেতিয়া ভৱিষ্যতে যিকোনো কাম কৰিবলৈ তেওঁলোকে সংকোচ নকৰা হব । আজিৰ যান্ত্ৰিকতাৰ ভীৰত মানুহৰ শাৰীৰিক শ্ৰম কমি গৈছে, যাৰ ফল স্বৰূপে কম বয়সতে বিভিন্ন বেমাৰে মানুহক আক্ৰান্ত কৰিছে। শ্ৰমদান আৰু নিয়মিত

*(বাৰপৃষ্ঠাত চাওক)*

# অৰুণাচল প্ৰদেশত ট্ৰাক বাগৰি

এনডিআৰএফৰ সহযোগত অভিযান চলাই ১৭জনীয়া দুৰ্ভগীয়া শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰে। দুৰ্ঘটনাস্থলী ইমানেই দুৰ্গম আছিল যে চাৰি ঘণ্টাতকৈও অধিক সময় বগাই গৈহে উদ্ধাৰকাৰী দল তাত উপস্থিত হ'বলৈ সক্ষম হৈছিল। অঞ্জাৰ জিলাৰ আৰক্ষী অধীক্ষক অনুৰাগ দ্বিবেদীয়ে জানিবলৈ দিয়া মতে, তিনিচুকীয়াৰ পৰা যোৱা ৭ডিচেম্বৰত এই দুৰ্ভগীয়া শ্ৰমিকৰ দলটোৱে চাগলাগাম অভিমুখে ট্ৰাকেৰে ৰাওনা হৈছিল। এই শ্ৰমিকসকলৰ উদ্দেশ্য আছিল এক নিৰ্মাণকাৰ্যত নিয়োজিত হোৱা। কিন্তু যোৱা ১০ ডিচেম্বৰ পৰ্যন্ত শ্ৰমিকৰ দলটো গন্তব্য স্থানত উপস্থিত নোহোৱাত সহকৰ্মীসকলে এই বিষয়ে হায়ুলিয়াং থানাত জনায়। আৰক্ষী অধীক্ষক দ্বিবেদীয়ে কয়- ইয়াৰ পিছত হায়ুলিয়াং আৰক্ষীয়ে শ্ৰমিকৰ দলটোৰ সন্ধান উলিয়াবৰ বাবে স্থানীয় সূত্ৰসমূহক সক্ৰিয় কৰি তোলে। ইয়াৰ মাজতে বিআৰটিএফৰ তৰফৰ পৰা এজন আহত ব্যক্তি শিবিৰত উপস্থিত হোৱাৰ লগতে অন্য ২১জন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ কথা দাবী কৰা বুলি হায়ুলিয়াং আৰক্ষীক জনায়। এই ব্যক্তিজনৰ বক্তব্যৰ ভিত্তিতে দুৰ্ঘটনা সংঘটিত হোৱা স্থান হায়ুলিয়াং আৰক্ষীয়ে চিনাক্ত কৰে। তাৰ পাছতে ব'ৰ্ডাৰ ৰোডছ অৰ্গেনাইজেচন, সেনা বাহিনী, জিলা প্ৰশাসন আৰু এনডিআৰএফৰ সহযোগত উদ্ধাৰ অভিযান চলায় হায়ুলিয়াং আৰক্ষীয়ে। সমান্তৰালভাৱে হায়ুলিয়াং আৰক্ষীয়ে ভয়ংকৰ দুৰ্ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। প্ৰাথমিক তদন্তত দুৰ্ঘটনাটো ৮ ডিচেম্বৰৰ নিশা ৮ৰ পৰা ৯ বজাৰ ভিতৰত চাগলাগামৰ পৰা প্ৰায় ১১ কিলোমিটাৰ দূৰৈৰ কে এম ৪০ৰ সমীপত সংঘটিত হৈছে। হায়ুলিয়াং-চাগলাগাম পথেৰে গৈ থকা অৱস্থাত শ্ৰমিক কঢ়িয়াই নিয়া ট্ৰাকখন পথৰ পৰা এহেজাৰ ফুট গভীৰ খাদত পৰি যায়। অভিযানকাৰী দলে ১৭জন শ্ৰমিকৰ মৃতদেহৰ লগতে দুৰ্ঘটনাগ্ৰস্ত ট্ৰাকখনৰ অৱশিষ্টও উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। সম্প্ৰতি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত বুধেশ্বৰ তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। প্ৰাপ্ত তথ্য অনুসৰি অৰুণাচললৈ যোৱা ২২ মিকৰ ভিতৰত আছিল গেলাপুখুৰী চাহ বাগিচাৰ বুধেশ্বৰ দ্বীপ, ৰাহুল কুমাৰ, সমীৰ দ্বীপ, অৰ্জুন কুমাৰ, পংকজ মাংকি, অজয় মাংকি, বিজয় কুমাৰ, অভয় ভূমিজ, ৰোহিত মাংকি, বীৰেন্দ্ৰ কুমাৰ, আগৰ তাঁতী, ধীৰেন ছাটৰিয়া, ৰজনী নাগ, দীপ গোৱালা, ৰামসেৱক চুনা, সনাতন নাগ, সঞ্জয় কুমাৰ, কৰণ কুমাৰ আৰু ধেলাখাট চাহ বাগিচাৰ জুনাছ মুণ্ডা। আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে। পিএমঅ' ইণ্ডিয়াৰ এক্স হেণ্ডেলত এই সন্দৰ্ভত কয়, অৰুণাচল প্ৰদেশৰ অঞ্জাৰ জিলাত সংঘটিত দুৰ্ঘটনাত প্ৰাণহানিৰ খবৰে মৰ্মাহত কৰিছে। যিসকলে আপোনজনক হেৰুৱাইছে তেওঁলোকৰ প্ৰতি মোৰ সমবেদনা জ্ঞাপন কৰিছোঁ। মই আহত লোকসকলৰ আশু আৰোগ্য কামনা কৰিছোঁ। পিএমএনআৰএফৰ অধীনত প্ৰতিজন মৃতকৰ নিকটাত্মীয়ক ২ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব। আহতসকলক ৫০ হাজাৰ টকাকৈ দিয়া হ'ব। ইফালে এই ঘটনাত শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ কয় যে অৰুণাচল প্ৰদেশত সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাত অসমৰ ব্যক্তিৰ মৃত্যুৰ খবৰ শুনি গভীৰভাৱে ব্যথিত হৈছোঁ। আমাৰ তিনিচুকীয়া জিলা প্ৰশাসনে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰাখি সকলো আৱশ্যকীয় সহায়-সমৰ্থন প্ৰদান কৰি আছে। সাহায্য আৰু উদ্ধাৰকাৰী দলে চিনাক্ত নোহোৱা ব্যক্তিসকলক উদ্ধাৰ কৰিবলৈ ক্ষিপ্ৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। চিকিৎসা সহায়ৰ প্ৰয়োজন হোৱাসকলক উন্নত চিকিৎসাৰ সকলো ব্যৱস্থা কৰা হৈছে। এই কঠিন সময়ত দুৰ্ঘটনাগ্ৰস্ত ব্যক্তিসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

# নৱম শ্ৰেণীৰ ৩, ১০, ০৩১

অষ্টম শ্ৰেণী পৰ্যন্ত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১৪ শতাংশ হয়গৈ। তেনেদৰে উচ্চতৰ মাধ্যমিক শ্ৰেণীপৰ্যন্ত আধাতে শিক্ষাগ্ৰহণ ত্যাগ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৪০ শতাংশ পৰ্যন্ত হৈ পৰে। এখন সমাজৰ ৪০ শতাংশই যদি শিক্ষাগ্ৰহণ সম্পূৰ্ণ নকৰে তেনেহ'লে সেইসকলে নিজৰ সপোনবোৰ পূৰণ কৰাটো সম্ভৱ হৈ নুঠেগৈ। মুখ্যমন্ত্ৰী ড° শৰ্মাই পুনৰ কয় যে প্ৰতিটো শিশুৰ মাজত একোটা প্ৰতিভা লুকাই থাকে। কিন্তু উপযুক্ত পৰিৱেশৰ মাজতহে প্ৰতিভাৰ বিকাশ হয় আৰু শিক্ষানুষ্ঠানসমূহে প্ৰতিভা বিকাশৰ এই পৰিৱেশ প্ৰদান কৰে। যিসকলে পৰিয়ালৰ আৰ্থিক দুৰ্বলতাৰ বাবে হাইস্কুল পৰ্যায়তে পঢ়া-শুনা ত্যাগ কৰে তেওঁলোকৰ প্ৰতিভা বিকাশ নোহোৱাকৈয়ে ৰৈ যায়। যাৰ বাবে সমাজৰ ক্ষতি হয়। ইয়াৰ পৰিপ্ৰেক্ষিততে চৰকাৰে কোনো ল'ৰা-ছোৱালীয়ে যাতে আৰ্থিক দুৰৱস্থাৰ বাবে শিক্ষাগ্ৰহণ আধাতে সামৰিব লগা নহয় তাৰ বাবে প্ৰচেষ্টা চলাই আহিছে। এনে প্ৰচেষ্টাৰ আধাৰতে বিনামূলীয়া পাঠ্যপুথি, সমবেশ তথা মধ্যাহ্ন আহাৰ যোগানৰ ব্যৱস্থা কৰা হৈছে। উচ্চপ্ৰাথমিকৰ পৰা শিক্ষাৰ্থী এগৰাকীয়ে যেতিয়া মাধ্যমিক বিদ্যালয়ত নামভৰ্তি কৰে, তেতিয়া শিক্ষাৰ্থীগৰাকীয়ে শিক্ষানুষ্ঠানত উপস্থিত হ'বলৈ কিছুদূৰ অতিক্ৰম কৰিব লগা হয়। শিক্ষাৰ্থীৰ শিক্ষাগ্ৰহণত যাতে কিছু সুবিধা হয় সেই উদ্দেশ্য আগত ৰাখিয়ে চৰকাৰে নৱম শ্ৰেণীত বিনামূলীয়া চাইকেল প্ৰদানৰ আঁচনি গ্ৰহণ কৰিছে। ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে মহাবিদ্যালয় পৰ্যায়তো নামভৰ্তি বিনামূলীয়া কৰিছে। তেনেদৰে উচ্চতৰ মাধ্যমিক পৰ্যায়ত প্ৰতিগৰাকী ছাত্ৰীক নিযুত মইনা আঁচনিৰ জৰিয়তে ১, ০০০ টকা, স্নাতক পৰ্যায়ত ১, ২৫০ টকা আৰু স্নাতকোত্তৰ পৰ্যায়ত ২, ৫০০ টকাকৈ প্ৰতিমাহে প্ৰদানৰ ব্যৱস্থা চৰকাৰে কৰিছে। অনুৰূপ ধৰণে ছাত্ৰসকলৰ বাবেও এখন আঁচনি শীঘ্ৰে গ্ৰহণ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাগ্ৰহণত সহায় হোৱাকৈ আৰ্থিক সহায়তা আগবঢ়োৱাৰ সমান্তৰালকৈ ৰাজ্য চৰকাৰে শৈক্ষিক পৰিৱেশ উন্নীত কৰাৰ বাবে আন কেতবোৰ পদক্ষেপো গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰৰ এনে প্ৰয়াস আৰু প্ৰচেষ্টাই ইতিবাচক ফল দিবলৈ আৰম্ভ কৰিছে বুলি মন্তব্য কৰি তেওঁ কয় যে প্ৰাথমিক বিদ্যালয়ত শিক্ষাগ্ৰহণ এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৬ শতাংশৰ পৰা সম্প্ৰতি ৪ শতাংশলৈ হ্ৰাস পাইছে আৰু মাধ্যমিক পৰ্যায়তো আধাতে শিক্ষানুষ্ঠান এৰা শিক্ষাৰ্থীৰ সংখ্যা ৮ শতাংশৰ পৰা ৫ শতাংশলৈ কমিছে। তেনেদৰে উচ্চ মাধ্যমিক পৰ্যায়ত শিক্ষানুষ্ঠান এৰা শিক্ষাৰ্থীৰ সংখ্যা ২৫ শতাংশৰ পৰা ১৭ শতাংশলৈ নিম্নগামী হৈছে। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস আৰু সংস্কৃতি বিভাগৰ মন্ত্ৰী যোগেন মহন, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়া, বিধায়ক চক্ৰধৰ গগৈ, বিনোদ হাজৰিকা, তেৰছ গোৱালা, তৰংগ গগৈ, ডিব্ৰুগড় পৌৰসভাৰ মেয়ৰ ড° সৈকত পাত্ৰ, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য সৰোজ গোহাঁই, ডিব্ৰুগড় জিলা পৰিষদৰ সভানেত্ৰী পুষ্পাঞ্জলি সোণোৱাল, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ, ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰী আৰু মাধ্যমিক শিক্ষা বিভাগৰ সঞ্চালক মমতা হোজাইৰ লগতে বহুসংখ্যক বিশিষ্ট ব্যক্তি আৰু বিভিন্ন বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# অধিবক্তা বিচাৰি অসম

জৰিয়তে সাহায্য পাব। এখন আবেদন লৈ শ্যামকানু মহন্তৰ পত্নী আহিছিল উকীল সন্থাৰ ওচৰলৈ। তেওঁ আমাক আহ্বান জনাইছে যে আমাৰ আইনী সাহায্য প্ৰদান নকৰিবলৈ জনোৱা আহ্বানটো উঠাই ল'ব লাগে। এইটো তেওঁলোকৰ এটা টেকটিছ হ'ব পাৰে। এই সৰু সৰু কথা বৰ ডাঙৰ কথা হৈ যায়। তেওঁ লিখিত আনিছে যে আমাৰ আহ্বানটো পুনৰ বিবেচনা কৰক। কাইলৈ যদি শ্যামকানু মহন্ত দোষী হয়, তেন্তে তেওঁলোকে আদালতত এখন আবেদন কৰিব পাৰে যে তেওঁ প্ৰ'পাৰ ডিফেঞ্চ নাপালে। আমি ক'ব বিচাৰিছোঁ যে এই লৈ অধিবক্তাসকলে কোনো সাহায্য প্ৰদান নকৰে। যদি কৰেও কোনোবাই দুটামান টকাৰ বাবে জুবিনদাৰ লগত কম্প্ৰমাইজ নকৰোঁ। উল্লেখ্য যে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ গোচৰ ৰুজু হোৱাৰ পিছতে গুৱাহাটী উকীল সন্থাই ৰাজ্যৰ অধিবক্তা সমাজক শিল্পীজনৰ ঘটনাত জড়িত কোনো লোককে আইনী সাহায্য প্ৰদান নকৰিবলৈ আহ্বান জনাইছিল। পৰৱৰ্তী সময়ত উকীল সন্থাৰ আহ্বানমৰ্মেই চিজেএম আদালতত শ্যামকানু মহন্তসহ ৭ গৰাকী অভিযুক্তৰ হৈ কোনো অধিবক্তাই আইনী সাহায্য প্ৰদান কৰা নাই।

# প্ৰতিজন দোষীয়ে

সুচাৰুৰূপে সম্পন্ন হ'ব, যিহেতু জুবিনৰ হত্যাৰ প্ৰতিজন দোষীয়ে কঠোৰৰ পৰা কঠোৰতম শাস্তি পোৱাটো বিচাৰিছোঁ। সেইটোৱে আমাৰ কাম্য। ন্যায় ব্যৱস্থাটো ভাল হ'ব বুলি ভাবিছোঁ। তদন্ত আশা কৰা ধৰণে আগবাঢ়িছে। গৰিমা গাৰ্গে আৰু কয় যে মুখ্যমন্ত্ৰীয়ে যিহেতু জুবিন হত্যাৰ তদন্ত ফাষ্টট্ৰেক আদালতৰ জৰিয়তে বিচৰাৰ কথা কৈছে তাৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছোঁ। তেনে আদালতৰ বিচাৰ ব্যৱস্থা ৰাইজে বিচাৰিছে আৰু আমিও পৰিয়ালৰ ফালৰ পৰা সকলোৱে বিচাৰিছোঁ। অতি সোনকালে যাতে এই ন্যায় ব্যৱস্থা কৰে তাৰ বাবে আমি অনুৰোধ জনাইছোঁ। গৰিমা গাৰ্গে সংবাদ মাধ্যমৰ আগত আৰু কয়, কেনেদৰে জুবিন গাৰ্গৰ দৰে এটা সত্তা নোহোৱা হৈ যাব পাৰে। তেওঁৰ দৰে এজন মানুহক হত্যা কৰিবলগীয়া কি থাকিব পাৰে। নিজৰ পৰা সকলো উদঙাই ধন, টকা-পইচাৰ পৰা সকলো ৰাইজৰ বাবে, অসমৰ বাবে কৰিলে জুবিনে। গতিকে এনেকুৱা এজন মানুহক হত্যাৰ ষ্টেপ কিয় ল'ব লগা হ'ল বুলিও কয় গৰিমা গাৰ্গে। আৰক্ষী ছিংগাপুৰলৈ যোৱাৰ প্ৰসংগত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত গৰিমাই কয় যে আমাৰ দেশৰ তদন্ত প্ৰক্ৰিয়াত আমাৰ সম্পূৰ্ণ বিশ্বাস আৰু আস্থা আছে। ছিংগাপুৰত এটা তদন্ত প্ৰক্ৰিয়া চলাইছিলে। মই ভাবোঁ আমাৰ অসম পুলিচে যিখিনি কৰিব তাৰ ওপৰত বিশ্বাস আছে। জুবিনৰ প্ৰতি সকলোৰে আবেগ-অনুভূতি আছে। গতিকে মই ছিংগাপুৰলৈ যোৱাৰ কথা ভবা নাই। আইনৰ কথাবোৰ আমি যিহেতু সকলো নাজানো। গতিকে অসম পুলিচে যিটো কৰিব সেইটো জুবিনৰ প্ৰতি থকা দায়িত্ব আবেগ, হিচাপে নিশ্চয় তদন্ত কৰিব। গতিকে আমি পৰিয়ালৰ ফালৰ পৰা আৰু কিবা বেলেগকৈ কৰিব লাগিব বুলি আমি নাভাবোঁ বুলিও কয় গৰিমা গাৰ্গে। গৰিমাৰ সৈতে জুবিন ক্ষেত্ৰত উপস্থিত হৈ ভগ্নী ড° পামী বৰঠাকুৰেও কয় যে তদন্ত প্ৰক্ৰিয়া আমি ভবাৰ দৰে বহু নিষ্ঠাৰে কৰিছে। আমি আৰু ৰাইজে বিচৰা মতে সকলো হৈছে। হত্যাৰ অভিযোগনামাখন নিশ্চয় খুব শক্তিশালী হৈছে। আমি আশাবাদী-ন্যায় ব্যৱস্থা খৰতকীয়াকৈ হ'ব আৰু আমি উচিত ন্যায় পাম।

# ২২ ডিচেম্বৰত প্ৰদান

কনিষ্টবলৰত নিযুক্তি প্ৰদান সম্পন্ন কৰি এইবাৰ অহা ২২ ডিচেম্বৰত স্বাস্থ্য বিভাগৰ নিযুক্তি-পত্ৰ বিতৰণৰ বাবে সাজু হৈছে চৰকাৰ। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াকো স্পষ্ট কৰে যে অতি সোনকালে এডিআৰেই উত্তীৰ্ণসকলকো নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। এডিআৰেই নিযুক্তি প্ৰক্ৰিয়াটো জটিল হোৱা বাবেই কিছু সময়ৰ প্ৰয়োজন হৈছে বুলিও সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্ট কৰিছে।

# জলজীৱন আঁচনিৰ

সংবাদ মাধ্যমৰ আগত ক্ষোভ প্ৰকাশ কৰে। আঁচনিখনত সংঘটিত হোৱা দুৰ্নীতি-অনিয়মৰ তদন্ত কৰি দোষীসকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰো দাবী জনাই প্ৰতিবাদকাৰী কংগ্ৰেছ নেতা-কৰ্মীসকলে। এই কাৰ্যসূচীত মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি স্বপন কুমাৰ দাস, প্ৰদেশ কংগ্ৰেছৰ প্ৰশাসনিক সাধাৰণ সম্পাদক প্ৰদ্যুৎ কুমাৰ ভূঞা, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক স্বপন মণ্ডল, প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ ৰূপক দাসৰ লগতে গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছ আৰু ডিমৰীয়া ব্লক কংগ্ৰেছৰ বিভিন্ন পৰ্যায়ৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে।

# অজিৎ কুমাৰ ভূঞাৰ সাম্প্ৰতিক সময়ৰ দুখন গ্ৰন্থ উন্মোচন

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ উজান বজাৰস্থিত হোটেল ব্লু মুনত আজি ৰাজ্য সভাৰ সাংসদ অজিৎ কুমাৰ ভূঞাৰ সাম্প্ৰতিক সময়ৰ “ধৰ্মৰ বেহা-ঘৃণাৰ ৰাজনীতি: অসমত বিজেপি” আৰু “জুবিনৰ কথা-মানুহৰ কথা” নামেৰে দুখন গ্ৰন্থ উন্মোচন কৰে। উন্মোচন কৰে বিশিষ্ট বুদ্ধিজীৱী ডঃ হীৰেন গোহাঁই, বিশিষ্ট কবি, লেখক হৰেকৃষ্ণ ডেকা আৰু বিশিষ্ট কাৰ্বি নেতা হলিৰাম তেৰাঙে। অজিৎ কুমাৰ ভূঞাই কয় যে, প্ৰথম খন গ্ৰন্থত বিজেপি চৰকাৰে ক্ষমতাৰ বলিয়ান হৈ দেশৰ শাসন যন্ত্ৰক হাতৰ মুঠিত আনি ভাৰতৰ সংবিধান খৰ্ব কৰি শোষণ নিপিৰনেৰে দেশ লুণ্ঠন কৰিছে তাৰ উল্লেখ কৰিছে। দ্বিতীয় খন গ্ৰন্থত জুবিনৰ জাতিৰ প্ৰতি ভাল পোৱা, দায়বদ্ধতা, তেওঁৰ সৃষ্টি ৰাজিৰ বিষয়ত বৰ্ণনা কৰে বুলি সাংবাদিকক জানিবলৈ দিয়ে। উক্ত গ্ৰন্থ উন্মোচনী সভাত তেওঁলোকৰ উপৰিও সংবাদ কৰ্মী সহ প্ৰায় ৪৫ গৰাকী লোক উপস্থিত থাকে।

# গুৱাহাটী প্ৰেছ ক্লাবত

সাংবাদিকসহ তেওঁলোকৰ পৰিয়ালবৰ্গই স্বাস্থ্যৰ বিভিন্ন সমস্যাৰ পৰামৰ্শ বিশেষজ্ঞ চিকিৎসকসকলৰ পৰা লাভ কৰে। স্বাস্থ্য শিবিৰটোত সঞ্জীৱনীৰ তৰফৰ পৰা ৰোগীসকলক প্ৰয়োজনীয় ঔষধ বিনামূলীয়াকৈ বিতৰণ কৰা হয়। স্বাস্থ্য শিবিৰ সন্দৰ্ভত মন্তব্য কৰি সঞ্জীৱনীৰ সভাপতি ডাঃ মল্লিকা ভট্টাচাৰ্যই কয়- 'আমি গুৱাহাটীৰ বিভিন্ন স্থানত নিয়মিতভাৱে স্বাস্থ্য শিবিৰ আয়োজন কৰি আহিছোঁ। কিন্তু গুৱাহাটী প্ৰেছ ক্লাবৰ দৰে এটা প্ৰখ্যাত প্ৰতিষ্ঠানৰ সৈতে মিলি সাংবাদিক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে স্বাস্থ্য শিবিৰ আয়োজন কৰাটো আমাৰ বাবে প্ৰথম অভিজ্ঞতা। এই সুযোগ লাভ কৰি আমি অত্যন্ত আনন্দিত আৰু ভৱিষ্যতেও এনে সহযোগিতা অব্যাহত থাকিব বুলি আশা কৰোঁ।' চিকিৎসকসকলৰ সেৱাক প্ৰশংসা কৰি গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি খগেন কলিতাই কয়- 'আমাৰ সাংবাদিক সহকৰ্মী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে স্বাস্থ্য শিবিৰ আয়োজন কৰিব পাৰি আমি অত্যন্ত সুখী। ব্যস্ত কৰ্মজীৱনৰ বাবে বহু সময়ত বহু বিশেষজ্ঞ চিকিৎসকৰ ওচৰত স্বাস্থ্য পৰীক্ষা কৰাবলৈ সময় নোপোৱা আমাৰ বহু সহকৰ্মীয়ে আজি সুযোগ লাভ কৰিলে। বহু খ্যাতনামা চিকিৎসকে আগবঢ়োৱা এই মহান সেৱা সঁচাকৈ প্ৰশংসনীয়। আগন্তুক দিনতো সঞ্জীৱনীৰ সৈতে এনে সহযোগিতা অব্যাহত থাকিব বুলি আমি আশাবাদী।'

# দেশৰ কেইবাখনো ৰাজ্যত

বিজ্ঞান কেন্দ্ৰই অসমকে ধৰি ১২খন ৰাজ্যক এই সময়ছোৱাত কুঁৱলীৰ ঘন আচ্ছাদনে ঢাকি ৰাখিব বুলি আগজাননী দিছে। ৰাজ্যকেইখন হ'ল- হিমাচল প্ৰদেশ, পঞ্জাব, হাৰিয়ানা, চণ্ডীগড়, দিল্লী, উত্তৰ প্ৰদেশ, মেঘালয়, ত্ৰিপুৰা, মিজোৰাম, মণিপুৰ আৰু নাগালেণ্ড। এই সতৰ্কতাৰ প্ৰতি লক্ষ্য ৰাখি ১২ ৰাজ্যৰ বাসিন্দাসকলে যাত্ৰাকালত স্বাভাৱিকতে সতৰ্ক হ'ব লাগিব। লক্ষণীয়ভাৱে ডিচেম্বৰৰ আৰম্ভণিতে মধ্যপ্ৰদেশৰ বেছিভাগ ঠাইতে তাপমাত্ৰা ১০ ডিগ্ৰী চেলছিয়াছৰ তললৈ হ্ৰাস পাইছে। ইয়াৰ মাজতে বৰ্তমান পৰ্যন্ত মধ্যপ্ৰদেশত শীতৰ সমস্ত ৰেকৰ্ড ভংগ কৰিছে ইন্দোৰে। তথ্য অনুসৰি বৃহস্পতিবাৰে নিশা চহৰখনৰ তাপমাত্ৰা আছিল ৪.৫ ডিগ্ৰী চেলছিয়াছ। যিয়ে বিগত ১০ বছৰৰ অভিলেখ ভংগ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিয়া মতে, ভূপাল, ইন্দোৰ, সীহোৰ, শাজাপুৰ, ৰাজগড়সহ কেইবাখনো জিলাত শুকুৰবাৰে শীতপ্ৰৱাহসদৃশ পৰিস্থিতিৰ উদ্ভৱ ঘটে। সেইদৰে উত্তৰাখণ্ডৰ বিভিন্ন অঞ্চলত বিগত কেইদিনমান ধৰি তুষাৰপাত অব্যাহত আছে। বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিয়া অনুসৰি ৰাজ্যখনত অনাগত কেইদিনমান ধৰি এই পৰিস্থিতি অব্যাহত থাকিব।

# প্ৰাক্তন গৃহমন্ত্ৰী শিৱৰাজ

ৰাজ্যসভাৰ সদস্যও আছিল। ২০০৪ৰ পৰা ২০০৮ বৰ্ষ পৰ্যন্ত তেওঁ দেশৰ গৃহমন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। কিন্তু ২০০৮ বৰ্ষৰ ২৬ নৱেম্বৰত হোৱা মুম্বাইৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত নিৰাপত্তা সম্পৰ্কীয় ব্যৰ্থতাৰ নৈতিক দায়িত্ব মূৰ পাতি লৈ তেওঁ সেই সময়ৰ মনমোহন সিং মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰে। ২০১০ৰ পৰা ২০১৫ চনলৈ পঞ্জাবৰ ৰাজ্যপাল আৰু কেন্দ্ৰীয়শাসিত চণ্ডীগড়ৰ প্ৰশাসক আছিল।

# ৭৫মিনিট ধৰি সমুদ্ৰ তীৰত চিকিৎসাৰ

দুয়োৰে মাজত। ইয়াৰ পিছৰ পৰাই জুবিন গাৰ্গৰ বিৰুদ্ধে আৰম্ভ হৈছিল ষড়যন্ত্ৰ। একেদৰে শ্যামকানু মহন্তৰ সৈতে প্ৰত্যক্ষ সংঘাত হোৱা নাছিল যদিও জুবিন গাৰ্গে বহু সময়ত শ্যামকানু মহন্তক ধেমালিৰ ছলেৰে অপমান কৰাক লৈ অসন্তুষ্ট হৈ আছিল শ্যামকানু মহন্ত। এছআইটিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাৰ নেতৃত্বত যোৱা দুজনীয়া দলে ছিংগাপুৰ আৰক্ষীৰ সৈতে যোগাযোগ কৰি ঘটনাস্থলীৰ নক্সা তথা বিভিন্ন ব্যক্তিৰ জবানবন্দী সংগ্ৰহ কৰিছিল। এই বিষয়বোৰ অভিযোগনামাত উল্লেখ কৰাৰ লগতে ছিংগাপুৰত সংঘটিত ঘটনাৰ এক ডিজিটেল নক্সা গাঁঠি দিছে অভিযোগনামাত। অভিযোগনামাত জুবিনক হত্যা কৰিবলৈ দীঘলীয়া পৰিকল্পনা সিদ্ধাৰ্থ আৰু শ্যামকানুহঁতে ৰচনা কৰাৰ কথাও স্পষ্টকৈ উল্লেখ কৰিছে। সুৰামত্ত অৱস্থাত জুবিনক জাহাজলৈ লৈ যোৱা হৈছিল। য়াটৰ কেপ্টেইনৰ বাধা সত্ত্বেও জুবিনক লাইফ জেকেট খুলি সাগৰত সাঁতুৰিবলৈ যাওঁতে বাধা দিয়া নাছিল সিদ্ধাৰ্থ, শেখৰ অথবা সন্দীপনে। এই ঘটনাৰ ছবি ইতিমধ্যে ভাইৰেল হোৱা ভিডিঅ'ত স্পষ্ট হৈছিল। জুবিনে সাঁতুৰি ভাগৰি যোৱাৰ সময়ত য়াটত থকা এজন প্ৰবাসী অসমীয়াই জুবিন গাৰ্গে পানীত সাঁতুৰি আগুৱাই যোৱা দেখি চিঞৰি উঠিছিল আৰু জুবিনৰ ওচৰলৈ কোনোবা যাব লাগে বুলি পানীত থকা কেইজনকো আহ্বান জনাইছিল। কিন্তু সেই মুহূৰ্তত সিদ্ধাৰ্থই নাৱৰ পৰা হাত জোকাৰি জুবিনৰ ওচৰলৈ কোনো যোৱাৰ প্ৰয়োজন নাই বুলি বাধা দিছিল পানীত থকা আন লোকসকলক। সুৰামত্ত অৱস্থাত থকা জুবিন তেনেদৰে ভাগৰি পৰি থমকি ৰৈছিল আৰু শ্বাস-প্ৰশ্বাস লোৱাত কষ্ট পাই মৃত্যু ঘটিছিল। অভিযোগনামাত উল্লেখ কৰা অনুসৰি ছিংগাপুৰত সংঘটিত ঘটনাৰ সময়ত য়াটখনত প্ৰায় ১১জন ছিংগাপুৰৰ প্ৰবাসী অসমীয়া আছিল। এছআইটিয়ে তেওঁলোকৰ জবানবন্দী গ্ৰহণ কৰাৰ পিছত স্পষ্ট হৈছিল যে সেই প্ৰবাসী লোককেইজনৰ জুবিনক হত্যা কৰাৰ কোনো অভিপ্ৰায় নাছিল। জুবিনৰ লগত নাছিল তেওঁলোকৰ কোনো শত্ৰুতা। জুবিনৰ ব্যৱহাৰত অসন্তুষ্ট হৈছিল শ্যামকানু। সেয়ে সিদ্ধাৰ্থৰ লগ লাগি জুবিনক হত্যা কৰাৰ পৰিকল্পনা কৰিছিল শ্যামকানুৱে। ইয়াৰ বাবে ব্যৱহাৰ কৰা হৈছিল শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক। ছিংগাপুৰত জুবিনক হোটেলত আছুতীয়া কোঠা দিয়া হোৱা নাছিল। জুবিনৰ সৈতে একেটা কোঠাতে থাকিবলৈ দিয়া হৈছিল অমৃতপ্ৰভাক আৰু শ্যামকানু-সিদ্ধাৰ্থৰ নিৰ্দেশতে অমৃতপ্ৰভাই সেই নিশা জুবিনক যোগান ধৰিছিল সুৰা। আনকি শ্যামকানুৱে নিশা জুবিনৰ কোঠালৈ লৈ গৈছিল এটা বিশেষ সুৰাৰ বটল। যি সুৰা ছিংগাপুৰত পোৱা নাযায়। অমৃত প্ৰভাক নিৰ্দেশ দিয়া হৈছিল যাতে জুবিনক অত্যাধিক সুৰাপান কৰোৱা হয়। যাৰ বাবে মৃত্যুৰ পিছত জুবিনৰ শৰীৰত সুৰাৰ পৰিমাণ অত্যধিক পোৱা গৈছিল। পʼষ্টমৰ্টেম ৰিপʼৰ্টত মৃত্যুৰ পিছত জুবিনৰ শৰীৰত সুৰাৰ পৰিমাণ ৩৬০তকৈ অধিক পোৱা গৈছিল। চাৰ্জশ্বীটত উল্লেখ কৰা অনুসৰি হোটেল হেৰিটেজ, মহাবীৰ একুৱাতো সিদ্ধাৰ্থ শৰ্মাই জুবিনৰ ধন বিনিয়োগ কৰিছিল। চাৰ্জশ্বীটত স্পষ্ট কৰা হৈছে যে জুবিন গাৰ্গৰ মৃত্যু সাধাৰণ মৃত্যু নহয়। চাৰ্জশ্বীটৰ তথ্য অনুসৰি, সিদিনা ৭৫ মিনিট ধৰি সমুদ্ৰ তীৰত চিকিৎসাৰ অবিহনে পৰি আছিল জুবিন গাৰ্গ। ডেৰঘণ্টা পিছতহে জুবিন গাৰ্গৰ বাবে এম্বুলেঞ্চৰ ব্যৱস্থা কৰা হৈছিল। সাগৰত ডুব যোৱাৰ খবৰ লাভ কৰাৰ পিছতো চিকিৎসাৰ ব্যৱস্থা কৰা নাছিল শ্যামকানুসহ সাগৰলৈ নিয়া লোকসকলে। আনকি ফিটনেছ প্ৰমাণ পত্ৰ নোহোৱাকৈয়ে ছিংগাপুৰলৈ নিয়া হৈছিল জুবিন গাৰ্গক। উল্লেখ্য যে ১২ হাজাৰ পৃষ্ঠাতকৈ অধিক এই অভিযোগনামাখনৰ বহু তথ্য এতিয়াও পোহৰলৈ অহা নাই। পাতে পাতে থকা বিস্ফোৰক তথ্যসমূহ অভিযোগনামাখন বিস্তৃতভাৱে বিশ্লেষণৰ পাছতহে পোহৰলৈ আহিব।

# ৮৪ দিনৰ অন্তত আদালতত দাখিল

শৰ্মা, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী আৰু সহঃশিল্পী অমৃতপ্ৰভা মহন্তৰ বিৰুদ্ধে এছআইটিয়ে ভাৰতীয় ন্যায় সংহিতাৰ ১০৩ (১) নং ধাৰাৰ অধীনত হত্যাৰ গোচৰ সংযোজন কৰিছে। বিএনএছৰ ১০৩(১) নং ধাৰাৰ অধীনত আদালতত অভিযুক্ত হ'লে দোষীৰ মৃত্যুদণ্ড অথবা যাৱজ্জীৱন কাৰাদণ্ড আৰু জৰিমনাৰ বিধান আছে। গতিকে চাৰি অভিযুক্তৰ মৃত্যুদণ্ড অথবা যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা আছে। এছআইটিৰ মুৰব্বী গুপ্তাই প্ৰত্যক্ষভাৱে সদৰী নকৰিলেও প্ৰকৃততে সম্পূৰ্ণ অভিযোগনামাখনত যে মূল চাৰি অভিযুক্তক প্ৰকৃত হত্যাকাৰী ৰূপে এছআইটিয়ে চিহ্নিত কৰিছে সেয়া স্পষ্ট হৈ পৰিছে। তেওঁ কয় যে জুবিন গাৰ্গৰ হত্যাৰ পাছতে চিআইডিত ৰুজু হোৱা ১৮/২৫ নম্বৰৰ গোচৰটোৰ অধীনত আজি প্ৰথমখন অভিযোগনামা আদালতত দাখিল কৰা হৈছে। ঘটনাটোৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে বিএনএছৰ ৩(৬)(৭)(৮), ৬১(২), ১০৩(১), ৩১৬(৫) নং ধাৰা সংযোজন কৰা হৈছে। একেদৰে শ্যামকানু মহন্তৰ ক্ষেত্ৰত ৩(৬)(৭)(৮), ৬১(২), ১০৩(১), ৩০৮(২), ৩১৮(৪), ২৩৮ নং ধাৰা সংযোজন কৰাৰ লগতে শেখৰজ্যোতি গোস্বামীৰ বিৰুদ্ধে ৩(৬)(৭)(৮), ৬১(২), ১০৩(১), ৩১৬(৫) নং ধাৰা সংযোজন কৰা হৈছে। অমৃতপ্ৰভা মহন্তৰ ক্ষেত্ৰতো ৩(৬)(৭)(৮), ৬১(২), ১০৩(১), ২৩৮ নং ধাৰা সংযোজন কৰাৰ লগতে জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ সন্দীপন গাৰ্গৰ বিৰুদ্ধে ১০৫নং ধাৰা, দেহৰক্ষীদ্বয় ক্ৰমে নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে বিএনএছৰ ৬১(২) আৰু ৩১৬(৫) নং ধাৰা সংযোজন কৰা হৈছে। জানিব পৰা মতে, হত্যাৰ চেষ্টা নকৰাকৈ হোৱা মৃত্যুৰ ক্ষেত্ৰত বিএনএছৰ১০৫নং ধাৰাৰ অধীনত অভিযুক্ত হ'লেও যাৱজ্জীৱন কাৰাদণ্ড অথবা ৫-১০ বছৰৰ কাৰাবাস আৰু জৰিমনা হ'ব পাৰে। একেদৰে বিত্তীয় লেনদেনৰ খেলিমেলিৰে বিশ্বাস ভংগ হোৱাৰ অভিযোগত ৩১৬(৫) নং ধাৰাৰ অধীনত অভিযুক্ত দোষীৰ যাৱজ্জীৱন অথবা ১০ বছৰ কাৰাবাস আৰু জৰিমনাৰ বিধান থকাৰ লগতে অপৰাধমূলক ষড়যন্ত্ৰৰ অভিযোগত ৬১(২) নং ধাৰাত ছমাহ পৰ্যন্ত কাৰাবাসসহ জৰিমনাৰ বিধান বিএনএছত আছে। ইপিনে এছআইটিৰ মূল তদন্তকাৰী বিষয়া ৰʼজী কলিতাৰ নেতৃত্বত এটা বৃহৎ দলে ১২, ২৭০ পৃষ্ঠাসম্বলিত অভিযোগনামাখনৰ লগতে তিনিটা চিপিইউ আৰু বহুসংখ্যক ডিজিটেল তথ্য-প্ৰমাণ আদালতলৈ নিয়ে। উল্লেখ্য যে ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণৰ বাবে গৈ যোৱা ১৯ ছেপ্টেম্বৰত ছিংগাপুৰৰ মহাসমুদ্ৰত অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যু হোৱাৰ পাছতে ২১ ছেপ্টেম্বৰত চিআইডিত ৰুজু হৈছিল ১৮/২৫ নম্বৰৰ গোচৰ। তাৰ পাছতে যোৱা ২৪ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মাই চিআইডিৰ বিশেষ সঞ্চালকপ্ৰধান মুন্নাপ্ৰসাদ গুপ্তাৰ নেতৃত্বত বিশেষ তদন্তকাৰী গোট গঠন কৰাৰ নিৰ্দেশ দিছিল আৰু সেইদিনাৰ পৰাই কাৰ্যতঃ জুবিন হত্যাকাণ্ড গোচৰৰ তদন্ত আৰম্ভ কৰিছিল এছআইটিয়ে। উল্লেখ্য যে জুবিন হত্যাকাণ্ডৰ অন্যতম মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক যোৱা ৩০ ছেপ্টেম্বৰৰ মাজনিশা নতুন দিল্লীৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ আৰু হাৰিয়ানাৰ গুৰুগ্ৰামৰ পৰা চিআইডিয়ে গ্ৰেপ্তাৰ কৰিছিল। গোচৰটোৰ আন দুই অভিযুক্ত ক্ৰমে শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক যোৱা ২ অক্টোবৰত এছআইটিয়ে গ্ৰেপ্তাৰ কৰিছিল। আনহাতে, চাৰ্জশ্বীটত যিমানবোৰ সাক্ষীক অন্তৰ্ভুক্ত কৰিছে সকলোৱে পুনৰ আদালতত সাক্ষী দিব লাগিব ।

# ENGLISH NEWS SECTION

## Governor releases book “Hum Bharat ke Log”



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya today released a book titled “Hum Bharat ke Log”, authored by Prof. Harbansh Dixit, Advisor to the Governor’s Secretariat, at the Brahmaputra Wing of Lok Bhavany. The book is a compilation of Prof. Dixit’s articles on law and legal issues. Releasing the book, Governor Shri Acharya said the book ventures into the heart of India’s justice system, constitutional values, and the evolving aspirations of a dynamic nation. He commended the author, noting that the book’s 51 essays illuminate core constitutional ideals, civic duties, and the progressive direction of Indian society. He further emphasized that India’s dynamic Constitution continues to guide the nation through contemporary challenges such as environmental concerns, digital transformation, and global competition. Referring to recent reforms being introduced under the leadership of Prime Minister Shri Narendra Modi, including the abrogation of Article 370, abolition of Triple Talaq, and revision of colonial-era laws, the Governor said these steps reinforce justice, equality, and national unity in the context which are exclusive and unique to India. The Governor moreover observed that the title “Hum Bharat ke Log” underscores the spirit of collective responsibility and constitutional commitment. He expressed confidence that the book will serve as a valuable resource for universities, civil servants, academic forums and the like. Prof. Harbansh Dixit also shared his views on the occasion. The event was attended by Commissioner and Secretary to the Governor Shri S. S. Meenakshi Sundaram, OSD Prof. Bechan Lal, Vice Chancellors, academicians, journalists, and other dignitaries.

## India slip to 6th position on WTC points table



RB News: India on Friday slipped a rung to sixth position on the World Test Championship standings after New Zealand's comprehensive nine-wicket victory against the West Indies in Wellington propelled them to the third place.Former champions Australia continue to hold the top position with 100 percentage points (win-loss percentage) with South Africa in second place with 75 percentage points. Sri Lanka (66.67) and Pakistan (50) occupy the fourth and fifth position respectively. New Zealand have so far accumulated 66.67 percentage points, while India have a win-loss percentage of 48.15.

## Keshav Maharaj to lead Pretoria Capitals in new SA20 season



RB News: South African left-arm spinner Keshav Maharaj has been appointed as the new captain of Pretoria Capitals for the upcoming SA20 Season,replacing Rilee Rossouw, the franchise announced on Friday. The South African spinner, bought first at the 2025 auction, will work closely with new coach Sourav Ganguly as the team targets a Playoff return. West Indies batter Shai Hope has also joined the squad, replacing England all-rounder Will Jacks.

## Governor felicitates cricketer Simu Das at Lok Bhavan



Guwahati,RB News: Acknowledging the extraordinary feat of Simu Das, an important part of Indian blind women’s cricket team that made the nation proud by winning the first ever Blind Women’s T-20 World Cup, Assam Governor Shri Lakshman Prasad Acharya felicitated her at Lok Bhavan. The Governor praised Simu Das for her remarkable performance and commended her dedication, perseverance, and exceptional skill. He said that her achievements despite visual challenge, stand as a powerful inspiration for persons with disabilities across Assam and the nation. It may be noted that in spite of hardship, Simu through sheer determination, continued her education and found hope through cricket. Identified and trained by the Cricket Association for the Blind in India (CABI), she honed her skills and earned a spot on the Indian Blind Women’s Cricket Team, transforming her life story into one of strength, discipline and national pride. Governor Shri Acharya presented her a token of appreciation. He also exuded confidence that talents like Simu Das will continue to elevate Assam’s sporting excellence and enhance India’s global stature. Congratulating her, the Governor lauded Simu Das a true role model for the youth of the country, whose journey symbolizes hope, resilience, and excellence in sports. He conveyed his heartfelt wishes for her continued success and a promising future ahead.

## Jharkhand pull off highest successful run chase in SMAT history



RB News: Jharkhand created history in Pune by pulling off a historic chase against Punjab. Jharkhand defeated Punjab by six wickets in Super League Group A match of the Syed Mushtaq Ali Trophy on Friday. Jharkhand registered the highest successful run chase in the tournament history, chasing down the 236-run target in 18.1 overs. Jharkhand's Kumar Kushagra, who smashed an unbeaten 86 off 42 balls, was adjudged Player of the Match.

# শ্ৰম, শ্ৰমদান আৰু তৰুণ শক্তিঃ জাতি গঠনৰ আধাৰ

কায়িক শ্ৰমে তৰুণ প্ৰজন্মক শাৰীৰিক আৰু মানসিক ভাৱে সুস্থ কৰি ৰখাৰ ক্ষেত্ৰতো সহায় কৰে। সুস্থ শৰীৰ আৰু সুস্থ মন থাকিলেহে এখন সুস্থ সমাজ গঢ়ি তোলা সম্ভৱ।

তৰুণ শক্তিক বিপথে যোৱাৰ পৰা ৰক্ষা কৰিবলৈ শ্ৰম এক মহৌষধ। বৰ্তমান সময়ত নিবনুৱা সমস্যাৰ বাবে বহু যুৱক-যুৱতী হতাশাত ভূগিছে। বহু সংখ্যকে ড্ৰাগছ বা অন্যান্য নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আসক্ত হোৱা দেখা গৈছে। কিন্তু যি সকল যুৱক কৰ্মব্যস্ত, যিসকলে কৃষি বা পশুপালনৰ জৰিয়তে স্বাৱলম্বী হ'বলৈ চেষ্টা কৰি আছে, যি সকল কৃষি কাৰ্যত জৰিত হৈ পৰিছে তেওঁলোকৰ মনলৈ সাধাৰণতে কু-চিন্তা নাহে। 'কৰ্মই ধৰ্ম'- এই মন্ত্ৰ সাৰোগত কৰি আগবাঢ়ি যোৱা তৰুণ প্ৰজন্মইহে দেশক প্ৰকৃত উন্নতিৰ পথ দেখুৱাব পাৰে। চৰকাৰী আঁচনিৰ বাবে হাত পাতি থকাতকৈ নিজৰ ভৰিৰ ওপৰত থিয় হোৱাৰ আনন্দই বেলেগ। আমাৰ ৰাজ্যত কৃষি, মীন পালন, বাৰীত শস্য উৎপাদন আদি ক্ষেত্ৰত অপাৰ সম্ভাৱনা আছে। আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি আমাৰ তৰুণ সকলে এই ক্ষেত্ৰ বোৰত বিপ্লৱ আনিব পাৰে। ইয়াৰ বাবে প্ৰয়োজন কেৱল মানসিকতাৰ পৰিৱৰ্তন আৰু কঠোৰ শ্ৰম কৰাৰ মানসিক প্ৰস্তুতি।

পৰিশেষত ইয়াকে ক'ব পাৰি যে- এটা জাতিৰ উত্থান নিৰ্ভৰ কৰে সেই জাতিৰ তৰুণ প্ৰজন্মৰ শ্ৰমৰ ওপৰত। কেৱল ভাষণ বা প্ৰতিশ্ৰুতিৰে দেশ নিৰ্মাণ নহয়। ইয়াৰ বাবে লাগে ত্যাগ আৰু আদৰ্শ। শ্ৰমদানৰ জৰিয়তে সমাজ সংস্কাৰ আৰু শ্ৰমৰ জৰিয়তে অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতা অৰ্জন- এয়াই হোৱা উচিত আজিৰ তৰুণ শক্তিৰ মূল লক্ষ্য। অসমীয়া জাতি জীয়াই থাকিবলৈ হ'লে আমি এলাহ পৰিহাৰ কৰিবই লাগিব। যেতিয়া প্ৰতিজন তৰুণে নিজৰ কৰ্তব্য বুলি শ্ৰমক আদৰি ল'ব, যেতিয়া শ্ৰমদান এক সামাজিক উৎসৱত পৰিণত হ'ব, তেতিয়াহে আমি বিশ্বৰ দৰবাৰত এটা অৰ্থনৈতিক ভাৱে শক্তিশালী জাতি হিচাপে মূৰ তুলি থিয় দিব পাৰিম। আমি আশা কৰা সোণৰ অসম গঢ়াৰ সপোন তেতিয়াহে সঁচা হ'ব, যেতিয়া আমাৰ পথাৰবোৰ আমাৰ তৰুণৰ ঘামেৰে জীপাল হৈ উঠিব আৰু আমাৰ উদ্যোগবোৰ আমাৰ তৰুণৰ দক্ষ হাতৰ পৰশত সজীৱ হৈ উঠিব। আমি সকলোৱে মিলি শ্ৰমক সন্মান জনাই শ্ৰমদানৰ জৰিয়তে এক নৱজাগৰণৰ সূচনা নিশ্চয়কৈ কৰিব পাৰিম বুলি আশা কৰিব পাৰি।






ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286